[ গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃক পাঠ্যৰূপে মনোনীত । ]

# খটাসুৰ বধ

GOVERNMENT OF ASSAM
Call No. 891.451
Sa 7 Kha
DISTRICT LIBRARY

C llec … tion.

মহাকবি ৰাম সৰস্বতী

ভণিত

সম্পাদক

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা সাহিত্যৰত্ন

নলবাৰী

মূল্য বাৰ অনা ।

PLEASE HANDLE THE BOOK CAREFULLY.

দত্তবৰুৱা ব্ৰাদাৰ্চ এণ্ড কোঙৰ
দ্বাৰা প্ৰকাশিত
নলবাৰী, কামৰূপ, অসম।

প্ৰবৰ্ত্তক প্ৰিণ্টিং এণ্ড হাফ্‌টোন লিঃ, ৫২।৩ বহুবাজাৰ ষ্ট্ৰীট, কলিকাতা
পৰা শ্ৰীফণিভূষণ ৰায়ৰ দ্বাৰা মুদ্ৰিত।

# সম্পাদকৰ নিবেদন

গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰাচীন মহাকবিৰ "বধকাব্য" কেইখন পাঠ্যতালিকাভুক্ত কৰা দেখি আমি যথাসাধ্যে পাঠ মিলাই আৰু কঠিন শব্দৰ অৰ্থ দি প্ৰকাশ কৰিলোঁ।

আমাৰ প্ৰিয়বন্ধু উদ্যোগী শিক্ষাবিদ্ ডাঃ বিৰিঞ্চিকুমাৰ বৰুৱা ডাঙৰীযাই "বধকাব্য"ৰ সুচিন্তিত পাতনিখনি ইয়াত যোগ কৰিবলৈ দিয়া বাবে তেখেতক ধন্যবাদ জনালোঁ।

আমাৰ ছাত্ৰ আৰু জনসাধাৰণৰ হিয়াত এইবোৰ সাহিত্যাই প্ৰাচীন সাহিত্যৰ প্ৰতি বিশেষ অনুৰাগ জন্মাব বুলিও লগতে আশা কৰিলোঁ।

বিনীত

শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা

৮।৪।৪৯

PLEASE HANDLE THE BOOK CAREFULLY.

PLEASE HANDLE THIS BOOK CAREFULLY.

# বধকাব্য

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সমসাময়িক যিসকল বৈষ্ণৱ কবিয়ে অপূৰ্ব্ব সাহিত্য ৰচনা কৰি গৈছে তাৰ ভিতৰত ৰাম সৰস্বতী অগ্ৰগণী। নৰনাৰায়ণ নৃপতিৰ নিৰ্দ্দেশত ৰাম সৰস্বতীয়ে বিশাল মহাভাৰত কাব্য অসমীয়াত অনূদিত কৰিবলৈ লৈছিল। 'কুলাচল বধ' কাব্যত তেওঁ এই সম্পৰ্কে লিখিছে—

"…. নৰনাৰায়ণ নৃপতিত শ্ৰেষ্ঠতৰ।
আমাক আনিয়া, আজ্ঞা কৰিলন্ত, পদ কৰা ভাৰতৰ॥
তাহাৰ আজ্ঞাত, আমি বিৰচিলোঁ, চৌবিশ হাজাৰ পদ।
মূল শ্লোক আৰ, ত্ৰিংশ যে হাজাৰ, ব্যাসৰ মুখ নিবন্ধ॥"

নৰনাৰায়ণ ৰজাই কেৱল আজ্ঞা দিয়েই সন্তুষ্ট নাছিল, তেওঁ কবি সৰস্বতীক মূল সংস্কৃত পুথিসমূহ যতনাই দি কাব্য ৰচনাত নানা ভাৱে সহায় কৰিছিল—

"আমাৰ ঘৰত আছে ভাৰত প্ৰশস্ত।
নিয়োক আপোন গৃহে দিলোঁ তে সমস্ত॥"
এহি বুলি ৰাজা পাছে বলধি যোৰাই।
পাঠাইল পুস্তক সব আমাসাৰ ঠাই॥
ধন বস্ত্ৰ অলঙ্কাৰ দিয়া বহুতৰ।
দাস-দাসী দিয়া মান কৰিল বিস্তৰ॥

ৰাম সৰস্বতীয়ে কিমান বিৰাট কাম হাতত লৈছিল সেই কথৰ বনপৰ্ব্বত উল্লেখ কৰা বচন কেইফাকিয়েই প্ৰমাণ কৰে। তেওঁ লেখিছে—

"বনপৰ্ব্ব কথা, পৰম গহন, পুৰাণ সংহিতা সাৰ।
পঁচিশ হাজাৰ, টীকা জানা আৰ, শ্লোক চাব্বিশ হাজাৰ॥

অগাধ সাগৰ, দ্বৈপায়নে আৰ, কৰি আছে নিবন্ধন।
কোন শক্তি আৰু, বিচাৰ কৰিবো, আমাৰ বালক মন ॥
তথাপিতো আৰ, পদ বিৰচিলো, পোন্ধৰ হাজাৰ মান।
আনো কবি সবে, তিনি সহস্ৰেক, ৰচি আছে বিদ্যমান ॥"

যি কোনো কবিৰ পক্ষেই কেৱল মহাভাৰতৰ অনুবাদ কৰিয়েই যশস্বী হোৱা সম্ভৱপৰ। কিন্তু ৰাম সৰস্বতীয়ে মহাভাৰতৰ অনুবাদৰ বাহিৰেও বনপৰ্ব্বৰ অন্তৰ্গত আখ্যান লৈ সৰু বৰ ভালেমান কাব্য ৰচনা কৰি গৈছে। তেওঁৰ অন্যান্য কাব্যৰ ভিতৰত কুলাচল বধ, বঘাসুৰ-বধ, জটাসুৰ-বধ, কুৰ্ম্মৱলী-বধ, খটাসুৰ-বধ, অশ্বকৰ্ণ বধ, জঙ্ঘাসুৰ-বধ আদিয়েই প্ৰধান। পিছৰ চাৰিখন পুথি "মহাভাৰতৰ বনপৰ্ব্বান্তগত" নাম দি বৰপেটাৰ শ্যামলাল চৌধুৰীয়ে ১৯০০ চনত প্ৰকাশ কৰিছিল বৰ্ত্তমান সেই পুথি কেইখনি পুৰণি সাহিত্য উদ্ধাৰৰ কাৰণে, জীৱন ব্যাপি লাগি থকা বৈষ্ণৱপ্ৰাণ শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাদেৱে ছপা কৰি উলিয়াইছে।

বধকাব্যসমূহ অসমীয়া সাহিত্যত এক অনুপম বস্তু। এই পুথি-সমূহে অসমীয়াৰ আধ্যাত্মিক আৰু সামাজিক জীৱনত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এফালে এই পুথিবোৰে যেনেকৈ আমাক সৰ্ব্ব ভাৰতীয় সংস্কৃতি আৰু আদৰ্শৰ লগত সংযোগ ঘটুৱাইছে, আনফালে এই সাহিত্যৰ পঠন-পাঠনে অসমীয়াৰ সামাজিক জীৱনত, অনাবিল আনন্দৰ সমল যোগাইছে।

বধকাব্যৰ ৰূপক বা দ্ব্যৰ্থ আছে বুলি ডাঃ কাকতিয়ে উল্লেখ কৰিছে। পাপক পৰাভৱ কৰি ধৰ্ম্মৰাজ্য সংস্থাপন কৰায়ে এই কাব্য-সমূহৰ উদ্দেশ্য। কৃষ্ণমহিমা প্ৰকাশ, ভক্তৰ গৌৰৱ ঘোষণা, দুষ্টক দমন সন্তক পালন, এনেধৰৰ বৈষ্ণৱ আদৰ্শ জনসাধাৰণৰ মাজত ভাঙি ধৰায়ে

কাব্যৰ প্ৰধান উদ্দেশ্য। প্ৰত্যেকখনি কাব্যতে অপৰাজেয় অসুৰৰ হাতত ভক্তৰ জীৱন কেনে ভাৱে বিপন্ন হৈছিল, ভগৱানে সন্ধিক্ষণত কেনেকৈ ভক্তক উদ্ধাৰ কৰিছিল তাক বৰ্ণোৱা হৈছে। "জঙ্ঘাসুৰ-বধ"ত আছে :—

"বীৰৰ উপৰি বীৰ কালৰ যে কাল।
সম্বৰে হৰিক ভজা এৰি আল জাল॥
যিটো জঙ্ঘাসুৰ বীৰ ত্ৰৈলোক্য বিজয়।
তাহাক পাণ্ডৱে কিনো বধিতে পাৰয়॥
পৰম ভকত তাৰা পঞ্চ যে পাণ্ডৱ।
ভকতৰ মহিমাক বঢ়াৱন্ত মাধৱ॥
ভাৰ সংহাৰিলা আসি হৈয়া অৱতাৰ।
এতেকে ভক্তৰ যশ কৰিলা প্ৰচাৰ॥"

ভক্তিধৰ্ম্ম প্ৰচাৰেই কাব্যৰ মূল প্ৰেৰণা। কবিয়ে এই কথা কেৱল ভক্তৰ কাৰ্য্য-কলাপৰ মাজেদিয়েই ফুটাই তোলা নাই ;—বৈৰীসকলৰ মুখেদিও সেই বাণী প্ৰচাৰ কৰিছে। শিৱ-ব্ৰহ্মা আদি সকলো দেৱতাৰ ভিতৰত বিষ্ণু বা কৃষ্ণয়েই যে শ্ৰেষ্ঠ—সেই কথাও প্ৰতীয়মান হৈছে। ব্ৰহ্মাৰ বৰ পায়ো অপৰিমিত শক্তিশালী খটাসুৰ বীৰৰ দ্ৰৌপদীৰ হাতত অবাঞ্ছনীয় ভাবে মৃত্যু মিলিছে—

"অসুৰ বধিতে দেৱীৰ ভৈলা মন।
... ... ... ... ... ...
দক্ষিণ হাতৰ পৰা খসাইলা কঙ্কণ।
... ... ... ... ... ...
মাধৱক স্মৰিয়া মাৰিলা লক্ষ্য কৰি।
কাটিলেক মাথা তাৰ পড়িল বাগৰি॥

গদা ছেদি অসুৰৰ তেখনে কৰণ।
যাজ্ঞসেনী সমীপত ভৈলা উপসন॥
পৰ্ব্বত সমান ধলি পড়িল অসুৰ।
টিল মল কৰি মহী লৰে কত দূৰ॥”

ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্যে ৰ'চিত হলেও বধ-কাব্যসমূহ সাহিত্যিক গুণৰাজি-বিৰৰ্জ্জিত নহয়। বৰঞ্চ ভক্তি-ৰসত মিহলি হৈ মধু-দধি যেন কাব্য স্বাদ 'অতিশয় মিলিছে'। অন্যান্য বৈষ্ণৱ গ্ৰন্থৰ দৰে, এই কাব্য-মালাই আধ্যাত্মিক হিত সধাৰ উপৰিও ধীৰ আৰু কল্যাণকৰ আনন্দ দিছে। এই কাব্য সমূহ গণচিত্ত আকৃষ্ট কৰিবৰ কাৰণে যুগুত কৰা হৈছিল। লোকচিত্ত শিশুৰ দৰে সৰল আৰু সহজ-বিশ্বাসী। শিশুৰ মনত প্ৰাকৃতিক, অপ্ৰাকৃতিক, বাস্তৱ কল্পনাৰ প্ৰভেদ নাই; সকলো সমপৰ্য্যায়ৰ। সেই কাৰণেই প্ৰতিধ্বনি কাব্যতে দেৱ-দেৱী, দানৱ মানৱ, পশু-পক্ষীৰ লৌকিক অলৌকিক ঘটনাৱলীৰ অদ্ভুত-আশ্চৰ্য্যৰূপে সমাবেশ ঘটিছে। বিবিধ সৰ্গত সক বৰ বহু ঘটনা আৰু অজেয় অসুৰ অথবা অলৌকিক শক্তিসম্পন্ন পুৰুষৰ আখ্যান সিঁচৰতি হৈ আছে। ঘটনাবহুল আৰু চৰিত্ৰসঙ্কুল হোৱা সত্বেও কাব্যৰ আদি, মধ্য আৰু অন্তৰ মাজত সংযোগ হেৰোৱা নাই; গোটেই কাব্যতে অখণ্ডতাৰ ৰূপ; সমগ্ৰতাৰ ভাৱ প্ৰস্ফুটিত হৈছে। কৰ্ম্মফলবিশ্বাসী ভাৰতীয় আদৰ্শত ট্ৰেজেডিৰ স্থান নাই। গতিকে ধৰ্ম্মৰ জয় আৰু অধৰ্ম্মৰ পৰাজয় নীতি ব্যাখ্যা কৰি আনন্দৰ মাজত প্ৰতিধ্বনি কাব্যৰ শুভ সমাপ্তি হৈছে।

কাব্যৰ বিষয় অসুৰ আৰু মানুহৰ মাজত হোৱা সংঘৰ্ষত গঢ়ি উঠিছে। বিশেষকৈ বনবাসী পাণ্ডৱৰ জীৱনত ঘটা অনৰ্থ আৰু বিপদ-ৰাশিৰ ওপৰতে কাব্যৰ আখ্যানে পৰিপুষ্টি লভিছে। কোনো এক দেৱতাৰ অনুগ্ৰহ লভি নতুবা দেৱদত্ত শক্তিৰ বলত দুৰ্ব্বল মানুহৰ

ওপৰত আসুৰিক অত্যাচাৰ আৰম্ভ হয় কিন্তু ভক্তৰ সহায় ভগৱান্—

"হৰি ৰক্ষা কৰি ফুৰে সৰ্ব্ব বিপদত।
ধেনু ৰাখি ফুৰে যেন বৎসক স্নেহত ॥"

সঙ্কটৰ সময়ত ভগৱানে উপস্থিত হৈ ছলে-বলে-কৌশলেৰে শত্ৰুৰ দৰ্প চূৰ্ণ কৰিবলৈ সক্ষম হৈছে। দৈৱ শক্তিৰ সহায় নহলে, আত্ম-শক্তিৰ ওপৰত 'সংসাৰ গহন বন'ত চলা সহজ নহয়। 'হৰিত বিশ্বাস' থাকিলে অলক্ষ্যে থাকিও ভগৱানে সদা সৰ্ব্বদাই ভক্তক পালন কৰে। কিন্তু বধ-কাব্যসমূহত ভক্তৰ ভক্তিৰ মহিমা প্ৰকাশ পালেও দৈৱ-দুৰ্ব্বিপাকত অথবা অদৃষ্টৰ হেতু অপৰাজেয় অসুৰৰ পতনত সহানুভূতিৰ উদ্ৰেক নোহোৱাকৈ নেথাকে—যদিও অপাত্ৰত কৰুণা নিদৰ্শন সাংস্কৃত আলঙ্কাৰিকসকলৰ মতে নিষেধ।

ডাঃ কাকতিয়ে সমীচীন মন্তব্যকে প্ৰকাশ কৰিছে যে বধকাব্যবোৰৰ প্ৰত্যেক গনেই ৰূপতকৈ আখ্যান হিচাবে বেছি মনোৰম; ঠায়ে ঠায়ে কবিয়ে চৰিত্ৰ অঙ্কনত এনে সূক্ষ্ম তুলিকা স্পৰ্শ দিছে যে বিস্ময় মানিব লাগে। ডাঃ কাকতিয়ে 'অশ্বকৰ্ণ-যুদ্ধ'ৰ পৰা ভীম, অৰ্জ্জুন আৰু হেমা সুন্দৰীৰ চৰিত্ৰ সুন্দৰভাৱে বিশ্লেষণ কৰি এই উক্তিৰ যথাৰ্থতা প্ৰমাণ কৰিছে। এই একে কথাকে অন্যান্য বধ কাব্যৰ বিষয়েও কব পাৰি। কাব্যৰ নায়ক-নায়িকা পৌৰাণিক হলেও গণচিত্ত স্পৰ্শ কৰিবৰ কাৰণে কবিয়ে তেওঁলোকৰ চৰিত্ৰ ভালেখিনি সাধাৰণ মানুহৰ আদৰ্শত গঢ়ি তুলিছে। "কূৰ্ম্মৱলী কাব্য"ৰ কূৰ্ম্মৱলী ৰজাৰ বিধৱা ৰাণী সত্যৱতীৰ শোকৰ বৰ্ণনা ৰাজোচিত আৰু সংযত হোৱা নাই; তাৰ মাজত স্বামী হেৰুৱা আশ্ৰয়হীনা দৰিদ্ৰ বিধৱাৰ বিলাপ-বিননি হে মূৰ্ত্ত হৈ উঠিছে। যথা—

"সত্যৱতী নামে পৰমা সুন্দৰী
নৃপতিৰ পাটেশ্বৰী।

Kh—২

দীৰ্ঘৰায়ে দেৱী কান্দিবে লাগিলা
ৰাজাৰ গুণ সুমৰি ॥
পঞ্চ বৎসৰৰ পৰম সুন্দৰ
উপমাৰ নাহি ঠাই।
আৰ্ত্তৰায়ে দেৱী কান্দিবে লাগিলা
পুত্ৰৰ মুখক চাই ॥
"হৰি হৰি বাপ প্ৰাণৰ পুতাই
কিমতে দুখ বঞ্চিবি।
তোৰ সম দুখ ত্ৰিভুবনে নাই
যিমত দুখ লভিবি ॥
ধুলা জাৰি তোক কোনে তুলি লৈবে
কাহাত কৰিবি ৰোষ।
হাতে তুলি তোক কোনে খুৱাইবে
কৰিবে কোনে সন্তোষ।"

যুদ্ধ-বিগ্ৰহ সংক্ৰান্ত বিষয়ৰ কাব্য হোৱাত বধ পুথিত বীৰ ৰসৰেই প্ৰাচুৰ্য্য হৈছে। যি কোনো পুথিৰ পৰাই কবিৰ উৎসাহপূৰ্ণ নিপুণ বৰ্ণনাৰ নিদৰ্শন উদ্ধৃত কৰিব পাৰি। ভীষ্ম আৰু কুৰ্ম্মবলীৰ যুদ্ধৰ তলৰ বৰ্ণনাটিয়েই ইয়াৰ প্ৰমাণ দিব—

"হেন দেখি কুৰ্ম্মবলী পৰম ক্ৰোধত।
ব্ৰহ্মাৰ শকতি পাত জুৰিলা গুণত ॥
প্ৰলয়ৰ বহ্নি যেন শকতি দুৰ্জ্জয়।
অযুত সূৰ্য্যৰ তেজ প্ৰকাশ কৰয় ॥
শবৰ প্ৰতাপে সৰ্ব্ব পৃথিবী লৰিলা।
মন্দৰ গিৰিত যেন ধমক লাগিলা ॥

সকল পৃথিবী নদী নদ ভয় ভৈলা।
আকাশৰ তৰাগণ খসিয়া পৰিলা ॥
দেখি দেৱলোকৰ ভৈলেক মহাত্ৰাস।
কুরু কুৰ্ম্মটিৰ সবে মনত উল্লাস ॥”

বীৰ ৰসৰ বৰ্ণনা বহু সময়ত স্বাভাৱিক গতিত অদ্ভুত বা বিস্ময় ৰূপলৈ ৰূপান্তৰিত হৈছে। নাট্যশাস্ত্ৰয়ো কৈছে, “বীৰাচ্চৈবাদ্ভুতোৎপত্তিঃ।”

বৈষ্ণৱ কাব্যসমূহ যাইকৈ গীতৰ সুৰত পাঠ কৰি অপঢ়ুৱৈ সমাজত শুনোৱাৰ ৰীতি এতিয়াও চলি আছে। সেই কাৰণেই এই কাব্যসমূহ একাধাৰে ধৰ্ম্মগ্ৰন্থ, কাব্য, উপন্যাস, গীত আৰু নাটক। কথোপকথনৰ পদ থকাত বধকাব্যত নাটকীয় সাঁচ আছে, আৰু পাঠকে তাকে আবৃত্তিৰ সুৰত গোৱাত সহৃদয়ৰ হৃদয় সি বিশেষ ভাৱে আকৃষ্ট কৰে। ৰাজহুৱা ভাৱে আবৃত্তি কৰাৰ হেতুকে নানা ধেমেলীয়া বৰ্ণনাও সংযোগ কৰা হৈছে।

লোকপ্ৰয়োজনলৈ লক্ষ্য ৰাখিয়েই কাব্যত হাস্যৰসক প্ৰাধান্য দিয়া হৈছে। নতুনত্ব অথবা আকস্মিকতাই হাস্যৰসৰ মূল উৎস। অথচ গাৱঁলীয়া জীৱনত নতুন বুলিবলৈ একো নাই; আচাৰ-নীতি, সমাজ-ব্যৱস্থা, জীৱনৰ আদৰ্শ সকলো পুৰণি নিয়মেৰে নিৰূপকৰ্ণীয়াকৈ বন্ধা; পুৰণিৰ প্ৰতি গাঁৱত সহজ প্ৰীতি আছে। পুৰণি নহলে গাঁৱলীয়া জীৱনত কোনো বস্তুৰে সমাদৰ নাই। আনকি ন ধানৰ অন্নও শুশুজে; পুৰণি মলাধঁপাত, পুৰণি থেকেৰাৰহে চোক বেছি, ধোঁৱাৰ-চাঙত তুলি থোৱা পুৰণি লাও-কোমোৰাৰ সোৱাদ অনুপম। নিজৰ চাৰিওপিনে থকা বস্তুসমূহৰ প্ৰতিও গাঁৱলীয়া প্ৰজাই পুৰণি সংস্কাৰগত ধাৰণাকে ধৰি আছে; দেৱ-দেৱী, দানৱ-মানৱৰ বিষয়েও পুৰুষানুক্ৰমে

বাগৰি অহা কল্পনাকেই বিশ্বাস কৰিছে। সেই বদ্ধমূল ধাৰণা-কল্পনা কাব্যৰ হাস্যৰস বৰ্ণনাই অকস্মাতে সলনি কাৰ দিয়ে। কাব্যৰ যোগে পূৰণি বাদ্ধোনৰ পৰা খন্তেকলৈ মুক্তি লভি তেওঁলোকে হাঁহিবলৈ ধৰে। এয়ে এৰিষ্টটলৰ কাব্যৰ katharsis বা অনুভূতিৰ বিশুদ্ধীকৰণ। কাব্যৰ এই হাস্যৰসৰ হাঁহিত বাস্তৱ জীৱনৰ হাঁহিৰ দৰে বিদ্রূপ, অভিমান, আত্মগৌৰৱ, অনুকম্পাৰ স্থান নাই। কাব্যৰ হাঁহি অনিমিত্ত, প্ৰয়োজন-বিবৰ্জিত অনাবিল আনন্দৰ হাঁহি। অনুভূতিৰ এই নিঃস্বাৰ্থ আৰু স্বাধীন স্বভাৱেই সকলো সাহিত্যৰ মূলবস্তু। উপৰোক্ত কথাৰ উদাহৰণ স্বৰূপে 'জঙ্ঘাসুৰযুদ্ধৰ' পৰা ভীম-জঙ্ঘাসুৰৰ ডবৰা-ডবৰিৰ বৰ্ণনাটি তুলি দিয়া হল। ভীমৰ বলবিক্ৰমৰ সম্পৰ্কে সাধাৰণ যি ধাৰণা আছিল, কাব্যত অপ্ৰত্যাশিত ভাৱে তাৰ ব্যতিক্ৰম ঘটিছে—

"কাতি হুয়া জঙ্ঘাসুৰে পৰিবে চাহিলা।
মহাবলী হেতু তেহো থমকি ৰহিলা॥
ভীমেও ক্ৰোধত ছিদ্ৰ চাই ফুৰে বেগে।
একগোট মাথাত ধৰিলা সেহি ছেগে॥
বজ্ৰৰত অসুৰৰ ছাল অতি টান।
ঝাম্প দিয়া অসুৰৰ ধৰিলন্ত কাণ॥
ভীমক অসুৰে ধৰিলেক টান কৰি।
ধৰণীত পড়ি ৰবে বাগৰাবাগৰি॥
কাতি কৰি জঙ্ঘাসুৰে ধৰিলা ভীমক।
মাৰিলেক কীল যতমান পাৰিলেক॥
চৌৰাশী হাজাৰ মান কীলক মাৰিলা।
কতক্ষণ থাকি ভীমে ওফন্দি উঠিলা॥

দুই হাজাৰেক বাহুমেলি মহাবলী।
ভীমক আটিলা যেন হস্তীয়ে কদলী
ৰাক্ষসৰ বাহুৰ আটাৰ চোট পাই।
কেন্ধান্তে ৰহিলা বীৰ অচেতন হুই॥
মাধৱৰ অংশ ভীম পৱননন্দন।
সিকাৰণে তাৰ হাতে নগৈল পৰাণ॥"

অস্বাভাবিক আৰু অতিৰঞ্জিত হোৱাৰ হেতু তলৰ অংশটি অধিক কৌতুকপূৰ্ণ—

"তাৰ পাছে জম্বাসুৰে ভীমক ধৰিয়া।
সাঙ্গি বান্ধি লৈয়া গৈলা নগৰ লাগিয়া॥
ৰাক্ষস পশিলা গৈয়া আপুন নগৰ।
বাজ হুয়া দেখয় সমস্ত নাৰী নৰ॥
বেশ্যা নাৰী আছে তাত চৌৰাশী হাজাৰ।
সমস্তে বেঢ়িয়া চাৰে একমুণ্ড নৰ॥
কেহো জনী বোলে আৰ শুনিয়োক বাই।
একমুণ্ড নৰ স্বপ্নত দেখা নাই॥
একমুণ্ড মনুষ্যক দেখিবাক ভাল।
আমাৰেসে স্বামীগণ পৰম জঞ্জাল॥
ৰূপ-গুণ দেখি নাৰীগণ মোহ ভৈলা।
নৃপতিক ভয়ে কেহো কাষ নাচাপিলা॥
ধৰি বান্ধি ব্যাধে পশু নেয় যেনমতে।
পতাশালে থৈলা নিয়া অসংখ্যক দূতে॥"

অতিৰঞ্জিত বৰ্ণনাৰ দ্বাৰা দৰিদ্ৰ শ্ৰোতাসকলক তেওঁলোকৰ দৈনন্দিন অভাৱ অনাটন জীৱনৰ আৰ্থিক আৰু জটিল সমস্যাৰপৰা

ক্ষণমাত্র পাহৰাই ৰখাও কবিৰ উদ্দেশ্য। সেই কাৰণেই কাব্যৰ বৰ্ণনাত ধন-সোণ বয়-বস্তুৰ ওৰাদানী। কূৰ্ম্মবলী ৰজাৰ নগৰৰ বৰ্ণনাত আছে :--

"সুবৰ্ণৰ চৌপথ পদুলি সুবৰ্ণৰ।
পশু-পক্ষী যত সুবৰ্ণৰ নিৰন্তৰ॥
সুবৰ্ণৰ তৰু তৃণ লতা আছে যত।
দেখয় সুবৰ্ণময় যতেক পৰ্ব্বত॥
সুবৰ্ণৰ বৃক্ষ সব সুবৰ্ণৰ ফল।
সুবৰ্ণৰ পত্ৰ সব পৰম নিৰ্ম্মল॥
সুবৰ্ণৰ পুষ্প সব আছে ফুলি ফুলি।
গাছতে পাকিয়া আছে সুবৰ্ণ কদলী॥

বাস্তৱ জীৱনত যি জনে দহোটা সংখ্যা গণিব নোৱাৰে; কাব্যত তেওঁৱেই 'চৌৰাশী হাজাৰ' সংখ্যাৰ বৰ্ণনাত আনন্দ পায়। দাৰিদ্ৰ্য ভাৰতীয় আধ্যাত্মিক জীৱনৰ আদৰ্শ। কবিয়ে পাণ্ডৱৰ দুখ-নিৰ্য্যাতনৰ করুণ কাহিনীৰ মাজেদি সেই নীতিকে প্ৰচাৰ কৰিছে। "জজ্ঞাসুৰৰ যুদ্ধ-কাব্য"ত যুধিষ্ঠিৰে খেদকৈ ভীমক কৈছে—

"শুনিয়োক বৃকোদৰ আমাৰ বচন।
সাত দিন অন্ন নাহি নাৰহে জীৱন॥
দৈৱৰ বিপাক বিধি লিখিলা কপালে।
শকুনীতে বাদমাত্ৰ ভুঞ্জো কৰ্ম্মফলে॥
অৰ্জ্জুন নকুল দুয়ো চলিও লগত।
ফল-মূল কিছুমান লৈয়োক সতত॥"

শ্ৰীকৃষ্ণ যাৰ সখা সেই পাণ্ডৱেই যেতিয়া অভাৱ-অনাটন প্ৰপীড়িত— তেনেস্থলত সাধাৰণ মানুহৰ কি কথা? দৰিদ্ৰ জনগণক কাব্যই এনে-

কৈয়ে পৰম সান্ত্বনা দিছে। সেই কাৰণেই যেতিয়াই নানা অপায় অমঙ্গলে গাৰ্ঁলীয়া জীৱনক বেঢ়ি ধৰেহি, তেতিয়াই "কীৰ্ত্তন এক আধ্যা পাঠ কৰা হয়।"—ভক্তৰ বিপত্তি শুনি চিত্তই যেন সান্ত্বনা লভে। কূৰ্ম্মৱলী ৰজাৰ বিধৱা ৰাণীক ভীষ্মদেৱে প্ৰবোধ দিয়াৰ দৰে কাব্যেও জনসাধাৰণক বুজনি দিয়ে—

"কিসক সন্তাপ কৰা মহাতাপ,
ৰাজ পাটেশ্বৰী আই ॥
যাৰ কপালত লিখিয়া আছয়,
বিধাতায়ে কাপ ধৰি।
সেই সুখ দুখ আপোন মিলয়
এৰাবাহা কেন কৰি ॥"

কাব্যৰ বিষয়-বস্তু মহাভাৰত, যামল, পুৰাণ আদি বিবিধ গ্ৰন্থৰপৰা সংগ্ৰহ কৰা হৈছে বুলি কবিয়ে উল্লেখ কৰিছে। বিভিন্ন পুথিৰপৰা সংগ্ৰহ কৰা হলেও নিজ স্বজনী প্ৰতিভাৰে কবিয়ে ভালেখিনি নতুন কথাও সংযোগ কৰিছে। জনহৃদয় অধিকাৰ কৰিবৰ কাৰণে পৌৰাণিক আখ্যানৰ লগতে লৌকিক কিম্বদন্তী, বিশ্বাস আদি ৰমণীয় ভাৱে ৰজিতা খুৱাই দিয়া হৈছে। অসমীয়া জীৱন আৰু অসমীয়া মনেমোহা প্ৰকৃতিৰ বিতোপন বৰ্ণনাৰে কাব্য ভৰপূৰ। ভূষণবিহীন অথচ আপোন সৌন্দৰ্য্যেৰে আপুনি ৰমণীয় অসমীয়া তিৰোতাৰ দৰে বধকাব্যসমূহ স্বভাবোক্তিৰে সজীৱ আৰু হৃদয়স্পৰ্শী হৈ উঠিছে। "জম্বাসুৰ যুদ্ধ"ত কবিয়ে স্বভাৱ-সুন্দৰ সৰোবৰৰ মনোৰম বৰ্ণনা দিছে—

... ... ... ... ...
দেখন্তে সুন্দৰ সিটো থান মনোহৰ ॥
তাহাৰ মধ্যত এক সৰোবৰ আছে।
ফল ফুলে আমোদিত জলে চাৰি কাষে ॥

কোকিলৰ কুহুঁ কুহুঁ ভ্রমৰা গুঞ্জৰে।
জলচৰ পক্ষী সবে তাত নাদ কৰে ॥
পুষ্পচয় চুম্বি মধুকৰে কৰে ৰোল।
কতো উৰে কতো পৰে, প্রেমত বিভোল ॥
তমাল মালতী শেফালিকা জুতি জাই।
বকুল বন্দুলি নবনিৰ ধুম্বৰায় ॥"

উপৰোক্ত বৰ্ণনাত বক্রোক্তিৰ বাহুল্য নাই, কাব্যসৌন্দৰ্য্যৰেই প্রকৃতিৰ প্রতিটি জীৱ প্রাণময় আৰু বাঙ্ময় হৈ উঠিছে। প্রাক্-বৈষ্ণৱ যুগৰ কবি মাধৱ কন্দলি আৰু শঙ্কৰদেৱ প্রভৃতি অন্যান্য বৈষ্ণৱ কবিৰ ৰচনাতো এনে স্বভাৱসুন্দৰ পদৰ প্রাচুৰ্য্য আছে। ইয়াক গতানুগতিক অনুসৰণ বুলি অৱহেলা কৰিব নোৱাৰি। প্রত্যেক কাব্য কবিৰ স্বকল্পনা আৰু নিজস্ব ভঙ্গীৰ ৰচিত হলেও তাৰ ওপৰত জাতীয় ধাৰণাৰা আৰু প্রকাশভঙ্গিমাৰ কিছু প্রভাৱ পৰা স্বাভাৱিক। প্রত্যেক সাহিত্য আৰু ভাষাৰ এটি নিজস্ব বিশিষ্ট ৰূপ আছে, জাতীয় চিন্তাধাৰা, ভাব আৰু কল্পনাৰ সেয় সাৰ্বজনীন উৎস। উত্তৰাধিকাৰী সূত্রে সকলোৱেই নিজৰ অজ্ঞাতসাৰেই সেই জাতীয় সম্পত্তিৰ ভাগ গ্রহণ কৰে সেয়েহে আধুনিক যুগৰ শ্রেষ্ঠ অসমীয়া নৈসৰ্গিক কবিৰ ৰচনাতো স্বভাৱোক্তিৰ প্রাচুৰ্য্য।

কবিয়ে একালে যেনেকৈ লোকজীৱনৰ আশা-আকাঙ্ক্ষাক কাব্যত ৰূপ দিবলৈ চেষ্টা কৰিছে, সেইদৰে প্রচলিত প্রবাদ পটন্তৰৰ মাজেদি তাক স্পষ্টও কৰিছে। প্রবাদ-প্রবচন গাঁৱলীয়া জীৱনৰ অভিজ্ঞতাৰ ওপৰত সৃষ্টি হৈছে। সকলো গাঁৱলীয়া জীৱনৰ দৰে এই পটন্তৰসমূহ সৰলতীয়া, আৰু প্রত্যেকটিতে গাঁৱলীয়া জীৱনৰ চিত্র ফুটি ওলাইছে। তলত উদ্ধৃত কৰা পটন্তৰ কেইটিয়েই আমাৰ কথাৰ প্রমাণ দিব—

| | |
|---|---|
| "কুমাৰৰ চাক যেন ঘূৰিয়া ফুৰয়" | ( জম্ভাসুৰ যুদ্ধ ) |
| "বন জুই যেন দহিয়া আসয়" | ( " ) |
| "উজানৰ মাছ যেন প্ৰহাৰ কৰিলা" | ( " ) |
| "পূৰ্ণিমা দিবসে যেন উথলে সাগৰ" | ( " ) |
| "পতঙ্গ আসিয়া অগণিত দেয় ঝাম্প" | ( " ) |
| "ফাল্গুনৰ বায়ু যেন নাকৰ নিশ্বাস" | ( অশ্বকৰ্ণৰ যুদ্ধ ) |
| "সৰ্পক দিবয় দুগ্ধ ভালুকক কোৰ" | ( " ) |
| "তৃণাত লাগিল যেন প্ৰচণ্ড অগনি" | ( কূৰ্ম্মবধী যুদ্ধ ) |
| "মৃণালৰ নালা যেন প্ৰচণ্ড অগনি" | ( " ) |
| "শোণিতে সিন্দূৰ বৰ্ণ দেখিতে শোভন" | ( " ) |
| "প্ৰচণ্ড বাতাসে যেন ভাঙ্গিলা কদলী | ( " ) |
| "শ্ৰাৱনৰ মেঘ যেন বৰষিলা জল।" | ( " ) |
| "হৰিণক খেদি যেন বাঘ গোট ধাই" | ( " ) |
| "আপদ কালৰ ধৈৰ্য্যেসে বড় ঔষধি" | ( " ) |

জাতীয় জীৱনৰ প্ৰয়োজনলৈ লক্ষ্য ৰাখি আৰু জনসাধাৰণৰ অৱসৰ-বিনোদনৰ কাৰণে ৰচিত হোৱা দেখিয়েই বধ-কাব্যসমূহ পুৰণি হৈও নতুন। ব্যাপকভাৱে সহৃদয় পাঠকৰ চিত্ত স্পৰ্শ কৰা কাব্যয়ে দীৰ্ঘজীৱী ; কালজয়ী হোৱাতে সাহিত্যৰ সাৰ্থকতা।

গুৱাহাটী বিশ্ববিদ্যালয়
১।৩।৪৯

শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱা

# খটাসুৰ বধ

## পাণ্ডৱৰ নৈমিষাৰণ্য গমন

### ছবি

জম্মিজয় * পুছে কথা, জয়মনি † ঋষি তথা,
কহিযোক আমাত সম্প্ৰতি।
একদিন দুৰ্য্যোধন, গৈলেক গন্ধৰ্ব্ব বন,
পাণ্ডৱ গৈলেক অন্য ভিতি ॥
জয়মুনি বোলে ৰাজা, শুনিযোক জম্মিজয়,
পাণ্ডৱৰ যি ভৈলা অৱস্থা।
দ্বৈত সৰোবৰ কাছে, দিন কতিপয় আছে,
শুন ৰাজা কহু পাছ কথা ॥১
গৈলা যেবে দুৰ্য্যোধন, যুধিষ্ঠিৰে গুণে মন,
কুবুজিলো দুৰ্য্যোধন মন।
আৰোবাৰ আসি সিটো, কোন বা বিপত্তি কৰে,
এহি বুলি ভৈলা ভয় মন ॥

* জম্মিজয়—জন্মেজয়।

† মহাভাৰতত বক্তা বৈশম্পায়ন মুনি আৰু শ্ৰোতা জন্মেজয় ৰজা ইয়াৰ "জয়মুনি" শব্দে সম্ভৱতঃ বৈশম্পায়ন মুনিকেই বুজাইছে।

ভীমক সম্বোধি বীৰে, মাতিলন্ত ধীৰে ধীৰে,
শুনিয়োক বীৰ বৃকোদৰ।
কৌৰৱৰ উতপাত, নেৰিবোহু ইঠানত,
হওঁ আমি ইঠান অন্তৰ ॥২
মাতে বৃকোদৰ বীৰ, ক্রোধ কৰি গুৰুতৰ,
যুধিষ্ঠিৰ নৃপতিক চাই।
এড়িলা ছলত পাই, কৌৰৱক একে ঠাই,
তোমাহেতু আমাৰ বিলাই ॥
গন্ধৰ্ব্বে বান্ধিয়া নেই, তাহাত ৰাখিলা গই,
পৰৰ শ্রাদ্ধত জানু পাৰি।
যেহি লাগে তাকে কৰা, আমি জীৱন্ততে মৰা
সেহি দুখে প্রাণ যায় ছাড়ি ॥৩
অর্জ্জুনে ভীমক চাই, বোলে শুনা ভীম ভাই,
নকৰিবা ইসব বচন।
যেহি লাগে সেহি হৌক, আমাৰ কৰম ভাগে,
দাদা সে আমাৰ জীৱ প্রাণ ॥
নকুল সহদেৱ দুই বোলে অৱনত হুই,
দাদা সে আমাৰ জীৱ মতি।
নকৰিবা আজ্ঞাচ্ছন্ন, যেহি বোলে এতিক্ষণ,
সিঠানক চলিয়ো সম্প্রতি ॥৪
দ্রৌপদী বোলন্তে কথা, নকৰিবা অন্যয়থা,
যেহি বোলে, কৰা ধর্ম্মশীলে।

হৈবেক সকলে সিদ্ধি, ধৰ্ম্মতেসে নৱনিধি,
ধৰ্ম্মতেসে চতুৰ্ব্বৰ্গ মিলে ॥
দ্ৰৌপদীৰ বাণী শুনি, পঞ্চ ভাই মনে গুণি,
নিশ্চয় কৰিলা এক মতি ।
আঠাইশ সহস্ৰ যত, বাড় ঋষি সমাজত,
তাৰা সবে দিলা অনুমতি ॥৫
শুনিলন্ত পঞ্চ ভাই, দ্ৰৌপদা সহিতে যাই,
আঠাইশ সহস্ৰ ঋষিগণ ।
তিনি পৰ বেলা গৈলা, বাধ অস্তাগত ভৈলা,
প্ৰবেশিলা নৈমিষৰ বন ॥
বৃক্ষৰ তলত যায়, বাসলন্ত পঞ্চ ভাই
দ্ৰৌপদী সহিতে ঋষিগণ ।
কৃষ্ণক হৃদয়ে ধৰি, বাসলা প্ৰশংসা কৰি
ৰজনী বাঞ্চিলা অনুগণ ।৬
প্ৰভাতেতে চলি গৈলা অৰণ্যত প্ৰবেশিলা,
দেখি স্থান বিচিত্ৰ সুন্দৰ
জল স্থল দেখি ভাল বঞ্চিবাক লাগে কাল,
দেখিতে বিচিত্ৰ সৰোবৰ ॥
কাল বঞ্চিবাৰ প্ৰতি, কৰি সবে অনুমতি,
সাজিলা পত্ৰৰ বাসা ঘৰ
চাৰি দণ্ড অন্তৰত, সৰোবৰ সমীপত,
স্নান ভৈলা ঋষি সমস্তৰ ।৭

সদা ভক্তি কৰি আতি, কৃষ্ণ কথা দিনে ৰাত্রি,
ভৈলন্ত তথাত অবিশ্রান্ত।
কৃষ্ণ কথা মনে ধৰি, শ্রৱণ কীৰ্ত্তন কৰি,
পৰম আনন্দে গুণ গান্ত ॥
ভীমসেন ধনঞ্জয়, নকুল সহদেৱ দুই,
চাৰি ভাই চাৰি দিশে যায়।
যিবা পাৱে যেই স্থানে, মগয়া কৰিযা আনে,
ফল মূল আনন্দে কোঁচাই ॥৮
দ্রৌপদী ৰান্ধন্ত গই, চাৰি বিধ অন্ন ই,
ঋষি সবে ভোজন কৰয়।
নকুল সহদেৱ দুই, পৰম সন্তোষ হুই,
আহাৰ কৰন্ত দুই ভাই ॥
ধনঞ্জয় বৃকোদৰ, ভুঞ্জে দুই সহোদৰ,
মহাৰাজ যুধিষ্ঠিৰ ৰায়।
কাহাৰো নথাকে বাকী, সবাকো ভুঞ্জয়ে ঢাকি,
যাৰ যেন মতে ৰুচি হয় ॥৯
এহিমতে তৈত যেবে, নৱ মাস গত হৈলা,
শুনা যেন ভৈলা পাছ কথা।
ৰাম সৰস্বতী ভণে, ৰাম বোলা ঘনে ঘনে,
ইটো জন্ম নকৰিয়ো বৃথা ॥১০

---

ঢাকি—ঘূৰণীয়াকৈ শাৰী পাতি।

## পত্ৰ-গৃহত অকলসৰে দ্ৰৌপদীৰ অৱস্থিতি
## খটাসুৰৰ আগমন

### পদ ।

জয়মুনি বদতি শুনিয়ো জন্মিজয় ।
এহিমতে বনবাসে পাণ্ডৱ আছয় ॥
একদিন প্ৰভাতে উঠিয়া চাৰি ভাই ।
চাৰিও দিশক চাৰি গৈলা সমুদাই ॥১১
মৃগয়া কৰিতে যায় পশিল বনত ।
যুধিষ্ঠিৰ চলি গৈলা ঋষি সমাজত ॥
একেশ্বৰে দ্ৰৌপদীযো আছয় বনত ।
কৃষ্ণৰ চৰণ চিন্তি পত্ৰৰ গৃহত ॥১২
সেই দিন খটাসুৰ অসুৰ দুৰ্জ্জয় ।
পৰম আনন্দ মনে বনত ভ্ৰময় ॥
দ্ৰৌপদীক দেখিলন্ত পত্ৰৰ গৃহত ।
নাহি শ্ৰুতি জ্ঞান তাৰ কামে উনমত্ত ॥১৩
দ্ৰৌপদীৰ আগত অসুৰ ভৈলা থিৰ ।
দেখি দ্ৰৌপদীৰ দেহে নথাকিল জীৱ ॥
বিকৃত আকাৰ তাৰ দেখিতে কুবন্ধ ।
প্ৰহৰৰ পথত গাৱৰ পায় গন্ধ ॥১৪
পৰ্ব্বত আকাৰ তাৰ স্থূলন্তৰ কায় ।
নাকৰ নিশ্বাসে তাৰ বতাসে ফোঁফায় ॥

কুলা যেন দেখি তাৰ দুই খান কাণ।
শাল বৃক্ষ সম দেখি বাহু দুই খান ॥১৫
পৰ্ব্বতৰ শৃঙ্গ যেন দাঁত দুই পাড়ি।
শৰীৰৰ লোমে আছে উৰ্দ্ধক শিহৰি ॥
চক্ষুৰ কোটৰ যেন পৰ্ব্বত গহ্বৰ।
লহ লহ জিহ্বা তাৰ দেখি লাগে ডৰ ॥১৬
পোৰা খিৰি হেন দেখ শৰীৰৰ কান্তি।
ভয়ঙ্কৰ মুখ তাৰ দৰ্শনতে ভ্ৰান্তি ॥
তাম্ৰশাল হেন দেখি পিঙ্গলীয়া দাড়ি।
জুটুলা জুটুলা চুলি অঙ্গুলেক চাৰি ॥১৭
এহিমতে দ্ৰৌপদীয়ে অসুৰ দেখিলা।
নাহি স্মৃতি জ্ঞান যেন প্ৰাণ উড়ি গৈলা ॥
হাত ভৰি কম্প দেখি চখে বহে জল।
অসুৰৰ ভয়ে দেৱী ভৈলন্ত বিকল ॥১৮
নাহি কোন পঞ্চ পতি মই একেশ্বৰী।
পাপিষ্ঠৰ হাতে ৰক্ষা পাওঁ কেন কৰি ॥
কৃষ্ণৰ চৰণ বিনে নেদেখো উপায়।
আন কোন হুইব আসি মোহোৰ সহায় ॥১৯
এহি বুলি কৰিলন্ত দেৱী মনে সাৰ।
মাধৱৰ চৰণক চিন্তে বাৰম্বাৰ ॥
হৰি স্মৰি দ্ৰৌপদী কৰিলা মনে সাৰ।
দেৱীক দেখিয়া শ্ৰুতি নাহি অসুৰৰ ॥২০

কামে জৰ্জ্জৰিত চিত্ত ভৈলন্ত পাগল।
বক বক কৰে যেন ভোকৰা ছাগল ॥*
মাতিবে লাগিলা দ্ৰৌপদীৰ মুখ চাই।
কাহাৰ জিয়াৰী তুমি আছা এহি ঠাই ॥২১
তোৰ ৰূপ দেখি মই কামে ভৈলো মত্ত।
স্বৰূপ কৰিয়া কহা মোহোৰ আগত ॥
দ্ৰৌপদী বোলন্ত আক মাতিবে লাগয়।
নমাতিলে মোক আজি হৰিবে নিশ্চয় ॥২২
বোলন্ত দ্ৰৌপদী মই পাণ্ডুৰ বোহাৰী।
নাম মোৰ যাজ্ঞসেনী দ্ৰুপদ জিয়াৰী ॥
কৌৰৱে পাশাত জিনি খেদাইলে ডকাই।
বনবাসে দুখ ভুঞ্জি আছো এহি ঠাই ॥২৩
মোক ইঠানত ৰাখি পত্ৰৰ গৃহত।
মৃগয়া কৰন্তে স্বামী পশিল বনত ॥
পতিব্ৰতা নাৰী মই কহিলো বুজাই।২৪
মোক যিবা চায়ে জীৱনত আশা নাই ॥
বচনেও নমাতো যে পৰ পুৰুষক।
চিনিবাৰ কাৰণেসে চিনা দিলো তোক ॥
অসুৰে বোলয় এৰা পতিব্ৰতা ধৰ্ম্ম।
বচনেক বোলো মই শুনা তাৰ মৰ্ম্ম ॥২৫

---

* ভোকৰা—ছাগল, ডাঙৰ যাডপঠা।

তুমি চিনা দিলা এবে চিনা দিলো ন
খটাসুৰ নাম মোৰ অসুৰ দুৰ্জ্জয় ॥
ধন জন ঐশ্বৰ্য্যে মোহোৰ নাই সৰি ।
গৃহত আছয় মোৰ বহুত সুন্দৰী ॥২৬
তোমাৰ সদৃশ ৰূপে একোজনী নাই ।
কি কাৰণে বনত আছাহা দুখ পাই ।
মোক ভজা তোমাৰ খণ্ডিবে দুখ যত
সত্যে সত্যে বোলো মই তোমাৰ অগ্ৰত ॥২৭
ধন জন গৃহবাস যতেক সুন্দৰী ।
সত্যে সত্যে দিবোহো তোমাৰ দাসী কৰি ॥
মই তোৰ দাস হৈবো নকৰা নৈৰাশ
এহি বুলি অসুৰেও চাপিলন্ত পাশ ॥২৮
দ্ৰৌপদীয়ো স্মৰে ৰাম কৃষ্ণ বিষ্ণু হৰি ।
কদাচিতো অসুৰে নকৰে পাছ ভৰি ॥
মোৰ পঞ্চ পতি আছে জগতে প্ৰখ্যাত ।
আসি পালে এক্ষণে কৰিবে স্কন্ধপাত ॥২৯
ইঠানৰ পৰা তই হুয়োক অন্তৰ ।
শুনি মহাক্ৰোধে জ্বলিলন্ত খটাসুৰ ॥
বলে ধৰি এইক আজি নিও নিজ ঠাই ।
এহি বুলি পত্ৰ গৃহ ভাঙ্গিলা কোবাই ॥৩০
অসুৰৰ ক্ৰোধ দেখি দেৱী ভৈলা ত্ৰাস ।
ত্ৰাহি যুধিষ্ঠিৰ বুলি দিলেক আটাস ॥

## খটাসুৰৰ পঞ্চ-পাণ্ডৱৰ লগত ৰণ

ঋষি সমস্তৰ সঙ্গে যুধিষ্ঠিৰ ৰায়।
কৃষ্ণ কথা শুনি বসি আছে সেহি ঠাই ॥৩১
দ্রৌপদীৰ আৰ্ত্তনাদ শুনি আতিশয়।
মিলিল বিপাক ৰাজা জানিলা নিশ্চয় ॥
দ্রৌপদীক কোনোবা অসুৰে নেয হৰি।
ঋষি সমস্তক এড়ি আসিলা লৰৰি ॥৩২
শীঘ্র বেগে আসি দেখি যুধিষ্ঠিৰ ৰায।
বৃক্ষৰ আৰত যায় অসুৰ লুকায় ॥
যুধিষ্ঠিৰে আসি দ্রৌপদীক দেখিলেক।
কিবা অথন্তৰ ভৈলা বুলি পুছিলেক ॥৩৩
দ্রৌপদী বোলন্ত প্রভু কিবা শোধা আৰ।
মোক হৰি নিবে খোজে অসুৰ দুৰ্ব্বাৰ ॥
অনেকবিকথি সিটো বচন বুলিলা।
পত্র গৃহ ভাঙ্গি মোক হৰিবে খুজিলা ॥৩৪
তোমাক আসিবে দেখি মোক এৰি যায়।
বৃক্ষৰ আৰত সিটো আছয় লুকায় ॥
এহি শুনি নৃপতি ধৰিলা ধনু-শৰ।
অসুৰক খেদি গৈলা ক্রোধে গুৰুতৰ ॥৩৫
আসৰে পাপিষ্ঠ কৈত আছস লুকায়।
যমৰ পুৰত আজি তোক দিবো ঠায় ॥

এহি বুলি দিশ পাশ চাহে কতদূৰ ।
বৃক্ষ আৰ হস্তে বাজ ভৈলন্ত অসুৰ ॥৩৬
যুধিষ্ঠিৰ ৰাজাৰ আগত ভৈলা স্থিৰ ।
কাল মেঘ খণ্ড যেন দুৰ্ব্বাৰ শৰাৰ ॥
দেখিয়া নৃপতি প্ৰহাৰিলা দশ শৰ ।
ন ভৈলা ভ্ৰুভঙ্গ একো সিটো অসুৰৰ ॥৩৭
পাছে একশত শৰ প্ৰহাৰিলা টানে ।
কটাক্ষ নকৰে সিটো অসুৰ দুৰ্জ্জনে ॥
মাথাত হানয় শৰ যুধিষ্ঠিৰ ৰায় ।
তথাপিতো অসুৰৰ ভুৰি ভঙ্গ নাই ॥৩৮
অসংখ্য সহস্ৰ শৰ হানিলা নৃপতি ।
খটাসুৰ অসুৰে আছিলা বুকপাতি ॥
শৰ প্ৰহাৰন্তে ৰাজা হাৰা শাস্তি ভৈলা ।
দুৰ্জ্জয় অসুৰে তাক মনে নগণিলা ॥ ৩৯
এহিমতে চাৰি দণ্ড প্ৰহাৰন্তে শৰ ।
গাৱ নলাৰিলা তভো দুৰ্জ্জয় অসুৰ ॥
শৰ প্ৰহাৰন্তে ৰাজা হাৰা শাস্তি ভৈলা ।
ক্ৰোধে খটাসুৰে শাল বৃক্ষ তুলি লৈলা ॥৪০
তিনি ডাল বৃক্ষ প্ৰহাৰিলা এক ছেগে ।
নৃপতিৰ হিয়াত পৰিল মহাবেগে ॥
হৃদয়ত একডাল পৰিলেক টানে ।
কপালত একডাল পৰিল সন্ধানে ॥৪১

আৰো একডাল পৰিলেক কঙ্কালত ।
ঢলিয়া পড়িলা ৰাজা গাত্রে নাহি তত ॥
দেখিয়া অসুৰ খেদি গৈলেক লৰৰি ।
বান্ধিবাক আনিলেক নাগ পাশ জৰী ॥৪২
দুই হাতে দুই ভৰি ধৰিলা জপাই ।
বান্ধিলেক নৃপতিক মেঢ়াই মেঢ়াই ॥
শৰীৰৰ বলে বান্ধিলেক টান কৰি ।
মৃত প্ৰায় যুধিষ্ঠিৰ থাকিলন্ত পৰি ॥৪৩
নৃপতিক ফেলাই থৈলন্ত কত দূৰে ।
দ্ৰৌপদীৰ মুখ চাই মাতন্ত অসুৰে ॥
ৰাজা যুধিষ্ঠিৰৰ যে বধিলো পৰাণ ।
ভজিবি কি নভজিবি দিয়া সমিধান ॥৪৪
নভজিলে আজি মই নেৰিবো সুন্দৰী ।
মোহোৰ হাতৰপৰা যাবি কেনে কৰি ॥
যদি গহ কৰ মাত সিয়ো চাৰি পতি ।
মাৰিয়া পঠাওঁ যম সদনক প্ৰতি ॥৪৫
অসুৰৰ বাণী শুনি দ্ৰুপদ জীয়াৰী ।
কান্দিবে লাগিলা আতি আৰ্ত্তনাদ কৰি ॥
হৰি হৰি কিনো মই পাপী অভাগিনী ।
কিসে প্ৰাণ ধৰো মই যুধিষ্ঠিৰ বিনি ॥৪৬
মোহোৰ কাৰণে পঞ্চ পতিৰ বিঘাত ।
ৰসাতলে যাওঁ বসুমতী দিয়া ফাট ॥

এহি বুলি কান্দে দেৱী ভূমিত পৰিযা ।
দুই হাতে মুষ্টি হানি ঢাকুৰন্ত হিয়া ॥৪৭
হাঁ বৃকোদৰ বুলি দিলা আৰ্ত্তৰাৱ ।
ভীমসেনে শুনিলেক পশ্চিমৰ বাৱ ॥
দ্ৰৌপদীৰ আৰ্ত্তনাদ শুনি অত বৰ ।
শীঘ্ৰ বেগে বৃকোদৰ দিলেক লৱৰ ॥৪৮
ভীমসেনে খেদি আসে দেখিযা অসুৰে ।
দ্ৰৌপদীক এৰিযা গৈলেক কত দূৰে ॥
বৃক্ষৰ আৰালে যায থাকিলা লুকাই ।
ভীমসেন আসি দ্ৰৌপদীক লাগ পাই ॥৪৯
মহাত্ৰাসে দ্ৰৌপদীৰ কণ্ঠাগত প্ৰাণ ।
ভীমসেন আসি দেখিলেক বিদ্যমান ॥
আঙ্কোৱালি সাৱটি ধৰিলা বৃকোদৰ ।
কহিযো সুন্দৰী কিবা ভৈল অথন্তৰ ॥৫০
দ্ৰৌপদী বোলন্ত মোৰ মৰণেসে ভাল ।
অসুৰে মাৰিলা যুধিষ্ঠিৰ মহীপাল ॥
মোক হৰি নিবাক আছিল ছেগ চাই ।
তোমাক দেখিযা পাপা আছন্ত লুকাই ॥৫১
বৃক্ষৰ আৰালে যায আছয় পামৰ ।
শুনি কোপে খেদি গৈলা বীৰ বৃকোদৰ ॥
ভীমসেনে খেদে দেখি অসুৰ আসয় ।
পিঠি পাশে ভীমক ধৰিলা ছিদ্ৰ পায় ॥৫২

ভীমেও উলটি ধৰি অসুৰৰ গলে।
আজোৰা আজোৰি কৰি পৰে মহীতলে॥
বাগৰা বাগৰি যুদ্ধ দণ্ড দুই মান।
প্ৰহাৰয় কীল ভুকু বজ্ৰৰ সমান॥৫৩
বনবাস ক্লেশে ভীম কৃশ আতিশয।
হৃষ্টপুষ্ট মহাবলী অসুৰ দুৰ্জ্জয়॥
ব্ৰহ্মাৰ বৰত তাৰ বাঢ়ি যায় বল।
মহাক্ৰোধে ধৰিলা ভীমক পাই চল॥৫৪
দুই হাতে দুই ভৰি এক ঠাই কৰি।
আকাশত ফুৰাইলেক চক্ৰাকাৰ কৰি॥
পৃথিবীত ভীমক পাৰিলা গিৰিসাই।
মূৰ্চ্ছা যাই পৰিলেক স্মৃতি বুদ্ধি নাই॥৫৫
পাছে খটাস্থৰে ব্ৰহ্মা-নাগ পাশ আনি।
পিঠি পাশে ভীমক বান্ধিলা টানি টানি॥
মৰা যেন ভীমসেন থাকিলন্ত পৰি।
পিণ্ডাকাৰে পৃথিবীত ৰহিলা বাগৰি॥৫৬
দ্ৰৌপদীক অসুৰে মাতয় বৰ ৰাগে।
ভজিয়ো সুন্দৰী মোক চাহিবে নলাগে॥
তোৰ দুই স্বামীক পঠাইলো যমঘৰ।
শীঘ্ৰে ভজিয়োক মোক বিলম্ব নকৰ॥ ৫৭
অসুৰৰ বৰ্ণ দেখি দেৱী ভয়ে ত্ৰাস।
ত্ৰাহি ধনঞ্জয় বুলি দিলেক আটাস॥

দ্ৰৌপদীৰ আৰ্ত্তনাদ শুনিয়া শ্ৰৱণে ।
মৃগয়া কৰিবে এৰি আসিলা অৰ্জ্জুনে ॥৫৮
আসিলেক মন পৱনৰ বেগ ধৰি ।
দেখি খটাসুৰে এৰি গৈলেক লৱৰি ॥
বৃক্ষৰ আৰালে যাই থাকিলা লুকাই ।
দ্ৰৌপদীক ধনঞ্জয় দেখিলেক যাই ॥৫৯
কথমপি দ্ৰৌপদীৰ আছে মাত্ৰ প্ৰাণ ।
কিনো ভৈল প্ৰাণেশ্বৰী দিয়া সমিধান ॥
দ্ৰৌপদী বোলয় প্ৰভু কিবা শোধা আৰ ।
মৰিবাৰ কাল আসি মিলিলা আমাৰ ॥৬০
অসুৰে মাৰিলা যুধিষ্ঠিৰ ভীমসেন ।
মোৰ প্ৰাণ যায় তুমি কি কৰা অৰ্জ্জুন ॥
ভীম যুধিষ্ঠিৰ বিনে মোৰ প্ৰাণ যায ।
বৃক্ষৰ গোৰত আছে অসুৰ লুকাই ॥৬১
অৰ্জ্জুনে বোলন্ত মই কৰো প্ৰতিকাৰ ।
মাৰিয়া পেশিবো আজি যমৰ নগৰ ॥
এহি বুলি ধনু ধৰি গৈলা আগুৱাই ।
অসুৰেও দেখা দিয়া বৃক্ষত লুকাই ॥৬২
মৈনাক পৰ্ব্বত যেন তাৰ কলেৱৰ ।
ক্ৰোধে ধনঞ্জয় প্ৰহাৰিলা পঞ্চ শৰ ॥
অৰ্জ্জুনৰ শৰচয় পৰিলা নিৰ্ঘাতে ।
নভৈলেক অসুৰৰ কটাক্ষ মনতে ॥৬৩

আকাশক অসুৰে গৈলেক বেগ টানি।
শিলা বৃষ্টি কৰিলেক আৰ্জ্জুনক চানি ॥
অৰ্জ্জুনে হানিলা একশৰ বৰ টানে।
অসুৰৰ শৰীৰত পৰিলা সন্ধানে ॥৬৪
আৰো বাৰ আসি সিটো অসুৰ ডুৰ্জ্জয়।
পৰ্ব্বত গোটেক ধৰি প্ৰহাৰ কৰয় ॥
পৰ্ব্বত আসয় দেখিলেক বিদ্যমান।
নৱ শৰে অৰ্জ্জুনে কৰিলা খান খান ॥৬৫
অসুৰে দেখন্ত চূৰ্ণ ভৈলন্ত পৰ্ব্বত।
বৃক্ষ বৰষিলা শৰীৰৰ বল যত ॥
অৰ্জ্জুনেও অসংখ্যাত শৰ প্ৰহাৰিলা।
আকাশত বৃক্ষ সব চূৰ্ণীকৃত কৈলা ॥৬৬
দেখি খটাসুৰে ব্ৰহ্ম-নাগপাশ লৈলা।
অৰ্জ্জুনক লাগি মন্ত্ৰ পাঠে প্ৰহাৰিলা ॥
শীঘ্ৰ বেগে নাগপাশে ফুঙ্কৰন্তে * যাই।
অৰ্জ্জুনক বান্ধিলেক মেঢ়াই মেঢ়াই ॥৬৭
বন্দী ভৈলা ধনঞ্জয় এৰাইতে নপাৰি।
বৃক্ষগোট ধৰিয়া গৈলেক আগ বাঢ়ি ॥
অৰ্জ্জুনৰ হিয়াত মাৰিলা দৃঢ় কৰি।
মূৰ্চ্ছা যাই ধনঞ্জয় থাকিলেক পৰি ॥৬৮

* ফুঙ্কৰন্তে— ফুক মাৰোঁতে।

দেখিয়া অসুৰে পাছে আনন্দ কৰয় ।
মাতিবে লাগিলা দ্রৌপদীৰ মুখ চাই ॥
মাৰিলোহো ইয়ো স্বামী আৰো কিবা আশা ।
ভজিয়োক প্রাণেশ্বৰী নকৰা নৈৰাশা ॥৬৯
মোক নভজিলে তুমি নৰহিবা আৰ ।
স্বামী বিনা পতিব্রতা জীৱন ধিক্কাৰ ॥
আৰো কোনো আছে যদি তোমাৰ সহায় ।
তাক মাতা মাৰি যমপুৰে দিওঁ ঠায় ॥৭০
দ্রৌপদী বোলন্ত কাল ভৈলন্ত মোহোৰ ।
এহি বিপদত কোনে কৰিবে উদ্ধাৰ ॥
মোহোৰ নিমিত্তে মৰিলেক তিনি ভাই ।
আৰো মোৰ অসাৰ জীৱনে আশা নাই ॥৭১
অর্জ্জুন সমান বীৰ নাহি জগতত ।
তথাপিতো হত ভৈলা মোৰ কপালত ॥
মৰিলেক যুধিষ্ঠিৰ ভীম ধনঞ্জয় ।
এত দুখে বিধিয়ে ৰাখিবে সুযুৱায় ॥৭২
নকুল সহদেৱ দুই বলে নোহে সম ।
অসুৰ স্বৰূপে আসি মোৰ ভৈলা যম ॥
সিয়ো দুই পতিক মাৰিবে লাগ পাই ।
হাঁ বিধি কিনো ভৈলা মোহোৰ বিলাই ॥৭৩
এহি বুলি কান্দে দেৱী আৰ্ত্তৰাৱ কৰি ।
অসুৰে বুলিবে লৈলা সম্ভাষণ কৰি ॥

কি কাৰণে সুন্দৰী কৰস তুমি শোক।
শোক নপাইবা তুমি ভজিলে মোহোক ॥৭৪
বলে পৰাক্ৰমে মোত পৰে আন নাই।
আৰ কোন মাতি আনা তোমাৰ সহায় ॥
তাতে আশা কৰি তুমি নভজা মোহোক।
মাতি আন মাৰি পেশো যমৰ পুৰক ॥৭৫
বলে ধৰিবাক খোজে অসুৰ দুৰ্ব্বাৰ।
মনে গুণি নধৰন্ত শাপিবাক ডৰ ॥
দ্ৰৌপদী বোলন্ত তই নমাতিবি আৰ।
স্বামীৰ বিয়োগে প্ৰাণ নৰহে মোহোৰ ॥৭৬
মই যদি মৰো তই পাবি কেনে কৰি।
নমাতিবি ক্ষাণিতেক থাকো ধৈৰ্য্য ধৰি ॥
দ্ৰৌপদীৰ বাণী সত্য মানিল অসুৰে।
অন্তৰিযা অসুৰ গৈলেক কিছু দূৰে ॥৭৭
দ্ৰৌপদীয়ে৷ আসন পাৰিয়া বসিলন্ত।
একাগ্ৰতা মনে কৃষ্ণ পদ চিন্তিলন্ত ॥
আপদ সমুদ্ৰে পাৰ কৰা যদুৰায।
তুমি বিনে আমাৰ বান্ধৱ আন নাই ॥৭৮
এহি বুলি দ্ৰৌপদী চিন্তিলা মাধৱক।
মহা তুষ্ট হুযা প্ৰভু সাক্ষাত ভৈলেক ॥
ভকতৰ দুখ দেখি প্ৰভু কৃপাময়।
কহিলেক দ্ৰৌপদীক নকৰিয়ো ভয় ॥৭৯

অসুৰ হৈবেক হত তোমাৰ হাতত।
যেহি মতে বিনাশিবে কহো স্বৰূপত ॥
হস্তৰ কঙ্কণ ধৰি কৰিবা প্ৰহাৰ।
মৰি যাব খটাসুৰ যমৰ নগৰ ॥৮০
তোমাৰ স্বামীক মই জীৱাইবো সম্প্ৰতি।
এহি বুলি অন্তৰ্ধান ভৈলা যদুপতি ॥
শুনি দ্ৰৌপদীৰ মন প্ৰসন্ন আদিত্য।
সি বেলা নকুল-সহদেৱ উপস্থিত ॥৮১
অসুৰে দেখন্ত আসিলন্ত দুই ভাই।
বৃক্ষৰ আৰালে যাই থাকিল লুকাই ॥
নকুল সহদেৱ দুই বিয়াকুল ভৈল।
দ্ৰৌপদীক সম্বোধিয়া বুলিবে লাগিল ॥৮২
কোনবা বিপদ ঘটে কহিয়ো সত্বৰ।
দ্ৰৌপদী বোলন্ত কিবা শোধা অথন্তৰ ॥
অসুৰে মাৰিলা তোমাসাৰ তিনি ভাই।
তোমা দুইক দেখি সিটো বৃক্ষত লুকায় ॥৮৩
শুনিয়া বিষম কোপ ভৈলা দুহান্তৰ।
ধনু শৰ ধৰি খেদি গৈলেক সত্বৰ ॥
মহা ক্ৰোধ কৰিয়া অসুৰে খেদি যাই।
আঙ্কোৱালি একত্ৰে দুইক আলগাই ॥৮৪
পৃথিবীত আস্ফালি পাৰিলা টান কৰি।
মূৰ্চ্ছা যাই দুই ভাই থাকিলন্ত পড়ি ॥

মহাক্রোধ কৰি যাই অসুৰ দুৰ্ব্বাৰ ।
বান্ধয় দুই ভাইক বলে শৰীৰৰ ॥৮৫
টানা টানি কৰি তাঙ্ক কত দূৰে নিলা ।
মাৰিলেক পঞ্চপতি দ্রৌপদী দেখিলা ॥

---

## দ্রৌপদাৰ হাতত খটাসুৰৰ স্কন্ধপাত

অপাৰ সমুদ্রে ৰক্ষা নেদেখন্ত আন ।
ত্রাহি কৃষ্ণ বুলি দেৱী কৰয় ক্রন্দন ॥৮৬
অসুৰে বোলন্ত দেৱী নকৰা ক্রন্দন ।
শোক পৰিহৰি মোক ভজা এতিক্ষণ ॥
দ্রৌপদী শুনিয়া বোলে অৰে খটাসুৰ ।
পঞ্চপতি মাৰি গৰ্ব্ব বাঢ়িলন্ত তোৰ ॥৮৭
নেউচেনি দিওঁ মই তোহোৰ মাথাত ।
মোহোৰ হাতত তোৰ হইবে কন্ধপাত ॥
অসুৰে বোলয় মাৰিলোহো পঞ্চপতি ।
এহি অপমানে মোক নমাতে যুৱতী ॥৮৮
ইটো দোষ ক্ষমিয়োক নকৰিবা শোক ।
গাল পাতি দিওঁ লাঠি মাৰা যদি মোক ।
কান্ধত কৰিয়া আমি লৈ যাবো সুন্দৰী ।
অপৰাধ ক্ষমা মাথে মলছিয়ো ভৰি ॥৮৯

ধন জন ঐশ্বৰ্য্য সকলো দিবো তোক।
ৰাখিয়োক প্ৰাণেশ্বৰী দাস কৰি মোক ॥
এতেক বচনে যদি নভজস মোক।
বলে ধৰি মই তেবে হৰিবো তোমাক ॥৯০
দ্ৰৌপদী বোলন্ত তবে পৰিবেক স্কন্ধ।
মানুষে অসুৰে কিনো আছয় সম্বন্ধ ॥
জীৱ জন্তু খাস তোৰ নাহি জাতিকুল।
মোক নমাতিবি তই অসুৰ ডুন্দুৰ * ॥৯১
অসুৰে কাতৰ কৰে দান্তে তৃণ ধৰি।
নুবুলিবা খটাসুৰ মোহোক সুন্দৰী ॥
তপে জপে পৰাক্ৰমে মই বৰ লোক।
এৰিযা জঞ্জাল প্ৰাণেশ্বৰী ভজা মোক ॥৯২
দ্ৰৌপদী বোলয় মুখ খসি যাব তোৰ।
যদি সতী পতিব্ৰতা ধৰ্ম্ম আছে মোৰ ॥
অসুৰে বোলয় কৈত ধৰ্ম্মে কৰে বাস।
এহি বুলি দ্ৰৌপদীৰ চাপিলেক পাশ ॥৯৩
বিষ্ণু বিষ্ণু স্মৰি দেৱী ভৈলেক অন্তৰ।
খেদি যায বস্ত্ৰত ধৰিলা খটাসুৰ ॥
দ্ৰৌপদীয়ো আজোৰ মাৰিলা টান কৰি।
হামাখুড়ি † খাই সিটো পড়িলা উফৰি ॥৯৪

---

* ডুন্দৰ—দুৰন্ত

† হামাখুড়ি—মুখ কৈকেচা।

লজ্জা পাই খটাসুৰ নাহি স্মৃতি জ্ঞান।
মাৰিলেক দ্ৰৌপদীক ছাপৰেক টান ॥
তযু পঞ্চপতি একে লগে ভৈলা হত।
তোৰ এত মান মত্ত মে'হোৰ হাতত ॥৯৫
এহি বুলি হাতত ধৰিলে খেদি যাই।
দ্ৰৌপদীয়ো লাঠি মাৰিলন্ত ছেগ চাই ॥
লাঠি পায় অসুৰেও গুণন্ত মনত।
জানিলো হুইবে মৃত্যু বনিতা * হাতত ॥৯৬
ব্ৰহ্মা বৰ দিয়া ইটো কহে বিদ্যমান।
পুৰুষ যুদ্ধত হাৰ নহে কদাচন ॥
নাৰীয়ে সহিত যদ্ধ মিলে যি বেলাত।
সেহি বেলা তোহোৰ হুইবে কন্ধপাত ॥৯৭
আজি যোনো সেহি কথা হুইবে সাম্ফল।
এহি ভাবি অসুৰৰ মনত বিকল ॥
মনে গুণি বোলে মই আৰ কিবা চাওঁ।
মাৰি দ্ৰৌপদীক আজি সমূলে পঠাওঁ ॥৯৮
ইহাক মাৰন্তে মোৰ কিবা হৈবো ছাই।
এহি বুলি আস্ফালিয়া ক্ৰোধে খেদি যায় ॥
দ্ৰৌপদীক চাপৰ মাৰিলা অতি বৰে।
স্তম্ভিত হইয়া দেৱী বিষ্ণু বিষ্ণু স্মৰে ॥৯৯

* বণিতা—তিৰোতা।

বিকৰ্থিয়া অসুৰে মাতয় মুখ চাই ।
তথাপিতো সতী দেৱী ওচৰ নলয় ॥
দ্ৰৌপদী বোলন্ত বৰ মুনিষ দেখাস ।
মোহোৰ হাতত বেটা যাইবি যমপাশ ॥১০
ক্ৰোধে উৰু শিৰ কম্পে বিৱৰ্ণ বদন ।
অসুৰক বধিতে দেৱাৰ ভৈলা মন ॥
চন্দ্ৰ-সূৰ্য্য দেৱ সৱে আৰাধিয়া মন ।
দক্ষিণ হাতৰ দেৱী খসাইলা কঙ্কণ ॥১০২
প্ৰকাশ কৰয যেন আদিত্য প্ৰমাণ ।
লহ লহ কৰে দেখি অগনি সমান ॥
ঈশ্বৰৰ সুদৰ্শন চক্ৰ যেন ঠান ।
সেহিমত প্ৰকাশয় দেৱীৰ কঙ্কণ ॥
মাধৱক স্মৰিয়া মাৰিলা লক্ষ্য কৰি ।
কাটিলেক মাথা তাৰ পৰিল বাগৰি ॥
গল ছেদি অসুৰৰ তেখনে কঙ্কণ ।
যাজ্ঞসেনী সমীপত ভৈলা উপসন ॥১০৩
পৰ্ব্বত সমান ঢলি পৰিল অসুৰ ।
টল মল কৰি মহী কম্পে কতদূৰ ॥
দ্ৰৌপদীৰ হাতত অসুৰ হত ভৈল ।
জয় জয় কৰি দেৱে পুষ্প বৰষিল ॥১০৪
যৈতে মৰি পড়ি আছে পাণ্ডু পুত্ৰগণ ।
শীঘ্ৰ বেগে দ্ৰৌপদী চলয় সেহি স্থান ॥

যুধিষ্ঠিৰ নৃপতিৰ চৰণত ধৰি।
বিস্তৰ কান্দিলা গুণ সুমৰি সুমৰি ॥১০৫
ভীমক সাৱটি ধৰি কান্দিলা বিস্তৰ
গলে ধৰি কান্দিলেক বীৰ অৰ্জ্জুনৰ ॥
নকুল সহদেৱক সাৱটি কান্দিলন্ত।
মোহোৰ কাৰণে পঞ্চ পতি মৰিলন্ত ॥১৬০
তিনিয়ো লোকত মই ভৈলো কলঙ্কিণী।
এহি বুলি যাজ্ঞসেনী কান্দন্ত আপুনি ॥
ই বেলাত নেদেখিলো প্ৰভু কৃপাময়।
স্বামীৰ বিয়োগে প্ৰাণ তেজিব নিশ্চয় ॥১০৭
এহি বুলি দেৱী মৰিবাক লাগি যান্ত।
দ্ৰৌপদীক দেখিয়া যে প্ৰভু ভগৱন্ত ॥
লাৱণ্য মূৰুতি আতি শৰীৰ উজ্জ্বল।
আজানুলম্বিত বাহু মকৰ কুণ্ডল ॥১০৮
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰ ধৰি।
দ্ৰৌপদীক দেখা দিয়া মাতিলন্ত হৰি ॥
শ্ৰীকৃষ্ণে বোলয় চিন্তা নকৰিবা আৰ।
জীয়াইবো স্বামীক আমি এক্ষণে তোমাৰ ॥১০৯
শুনি দ্ৰৌপদীৰ আনন্দৰ নাহি পাৰ।
দণ্ডৱতে পৰি কৰিলন্ত নমস্কাৰ ॥
ওহে জগন্নাথ দেৱ অনাথ বান্ধৱ।
আপদ সাগৰে পাৰ কৰিয়ো মাধৱ ॥১১০

দ্ৰৌপদীৰ কাৰুণ্য শুনিয়া দামোদৰ ।
যুধিষ্ঠিৰ নৃপতিৰ চাপিলা ওচৰ ॥
চাৰি হাতে নৃপতিৰ মাজিলা শৰীৰ ।
নিদ্ৰাৰ জাগিয়া বসিলন্ত যুধিষ্ঠিৰ ॥১১১
দণ্ডৱতে পৰি ৰাজা কান্দিলা বিস্তৰ ।
তুমি বিনে আমাসাৰ নাহিকে উদ্ধাৰ ॥
জীয়ায়োক চাৰি ভাই মৰিয়া আছয় ।
সংসাৰ সাগৰে তুমি দিয়োক অভয় ॥১১২
ৰাজাৰ এতেক শুনি কোমল বচন ।
চাৰিৰো শৰীৰে দৃষ্টি কৰিলা তেখন ॥
দৃষ্টি পাই মাধৱৰ তেখনে উঠিলন্ত ।
চাৰিৰো গাৱৰ বান্ধ কৃষ্ণে মেলিলন্ত ॥১১৩
খণ্ডাইলা দুৰ্গতি কৃষ্ণে হুইয়া সদয় ।
নৃপতিক চাহি বোলে কৃষ্ণ কৃপাময় ।
শুনা ৰাজা তোমাত কহিলো প্ৰিয়-বাণী ।
আপদ কালত চিন্তা নকৰিবা তুমি ॥১১৪
তুমি পঞ্চ জন যেন মোৰ জীৱ প্ৰাণ
নাহিকে বান্ধৱ আৰ তোমাৰ সমান ॥
এতেক কহিয়া নৃপতিক প্ৰবোধিলা ।
চাৰিকো চাহিয়া কৃষ্ণে বুলিবে লাগিলা ॥১১৫
শুনা বৃকোদৰ শুনা ওহে ধনুৰ্দ্ধৰ ।
শুনা ওহে দুই ভাই যমজ কুমাৰ ॥

তোমাসবে আমাৰ আছয় বহু মৰ্ম্ম।
দ্ৰৌপদী ৰাখিলা আজি তোমাসাৰ ধৰ্ম্ম ॥১১৬
এতেকতে যায়া সবে দ্ৰৌপদীৰ ঠাই।
আপদ কালত ৰক্ষা কৰিবোহো মই ॥
এহি বুলি অন্তৰ্ধান ভৈলা ভগৱান।
খণ্ডোক দুৰ্গতি হৌক কৃষ্ণত ধিয়ান ॥১১৭
শুনা সাধু জন পদ ভাৰত সম্প্ৰতি।
কৃষ্ণ সেৱা বিনে নাই কলিযুগে গতি ॥
মাধৱৰ চৰণ পঙ্কজ কৰি সাৰ।
বোলা ৰাম ৰাম কৰা পুৰুষ উদ্ধাৰ ॥১১৮

---

## ৫ পাণ্ডৱৰ নৈমিষাৰণ্য ত্যা

## ছবি

এহি শুনি পঞ্চ ভাই, বন মাজে চলি যায়,
দ্ৰৌপদীক প্ৰশংসা কৰিয়া।
বহু দুখ শোক কৰি, বসি আছে বৰ নাৰী,
পঞ্চ জন স্বামীয়ে দেখয় ॥
গুচিলেক শোক দুখ, দেখিয়া স্বামীৰ মুখ,
সবাহাস্কে কৰিলা আশ্বাস।
দ্ৰৌপদীক পঞ্চ জনে, বোলে আতি সম্ভাষণে
আমা হন্তে পাইলা বৰ দুখ ॥১১৯

এহি বুলি পঞ্চ ভাই, দ্রৌপদীক সঙ্গে লই,
ঋষি সমাজক চলি যায় ।
আঠাইশ সহস্র ঋষি, বিষ্ণু স্মৰি আছে বসি,
প্রণাম কৰিলা পঞ্চ ভাই ॥
দুখৰ কাৰণ যত, প্রকাশিলা সমাজত,
কান্দি কান্দি শোকাকুল ভাৱে ।
হেন দেখি ঋষি যত, কৰিলন্ত আশীর্ব্বাদ,
তোমাসাৰ হৌক চিৰঞ্জীৱ ॥১২০
দ্রৌপদীক ঋষিগণে, প্রশংসয় ঘনে ঘনে,
ধন্যা তুমি পতিব্রতা সতী ।
ধন্য ৰাজা যুধিষ্ঠিৰ, ধন্য চাৰি সহোদৰ,
ভাৰ্য্যা লভি আছা গুণৱতী ॥
শুনি যুধিষ্ঠিৰ ৰায়, ঋষি সমস্তক চাই,
কৰযোৰে বুলিলা বচন ।
আমাসাৰ দুখ যত, কি কহিবো সমাজত,
কৰো এক আত্ম নিবেদন ॥১২১
ইটো বনবাস দুখ, সহিয়া থাকিবো কত,
ভাগ্যে বৈলা আমাসাৰ প্ৰাণ ।
নথাকিবো ইঠানত, চলো অন্য অৰণ্যত,
এহি আজ্ঞা কৰা ঋষিগণ ॥
এহি শুনি ঋষিচয়, বুলিলা তাঁহাক চাই,
ৰাজা তুমি যেহি ইচ্ছা কৰ ।

এত শুনি ৰঙ্গ মনে, চলিলেক সৰ্ব্বজনে,
মনে চিন্তি চৰণ কৃষ্ণৰ ॥১২২
শুনা সভাসদ লোক, পাণ্ডৱৰ গুণ শোক,
কৃষ্ণ পদ হৃদয়ত ধৰি।
কৃষ্ণ বিনে নাহি গতি, ৰহোক চৰণে মতি,
ডাকি সবে বোলা হৰি হৰি ॥১২৩

---

## পাণ্ডৱৰ কল্যাণ বনলৈ গমন আৰু অজগৰৰ প্ৰশ্নোত্তৰ

### পদ।

বৈশম্পায়ন বদতি শুনিয়ো জন্মিজয়।
কল্যাণ বনক লাগি পাণ্ডৱ চলয় ॥
ঋষিগণ সঙ্গে যায় দ্ৰৌপদী লগত।
ভাগৰে পীড়িলা সবে ভৈলা অশকত ॥১২৪
কাতৰ ভৈলন্ত সবে ৰৌদ্ৰৰ তাপত।
বসিলন্ত যায় সবে বৃক্ষৰ ছায়াত ॥
যুধিষ্ঠিৰে বোলন্ত শুনিয়ো বৃকোদৰ
পিয়াসে নৰহে প্ৰাণ শুখাল অন্তৰ ॥
মিলিল অসুখ মোৰ বাপ বৃকোদৰ।
জল আনি তুমি মোৰ প্ৰাণ ৰক্ষা কৰ ॥

ৰাজাৰ বচনে ভীম গদা হস্তে ধৰি।
জল বিচাৰিয়া গৈল আতি শীঘ্ৰ কৰি ॥১২৬
ঘোৰ বন মাজে নেদেখয় দিশ পাশ।
কোন দিশে যায় একো নপান্ত উদ্দেশ ॥
এক উচ্চ বৃক্ষত উঠিলা বৃকোদৰ।
যোজনৰ পন্থে দেখে দিব্য সৰোবৰ ॥১২৭
বৃক্ষ হন্তে নামি ভীম তৈকে গৈলা চলি।
সৰোবৰ পাইলে গৈয়া ভীম মহাবলী ॥
যোজনৰ পন্থ দেখে সৰোবৰ পাৰ।
উপৰত পিট পৰি আছে ভয়ঙ্কৰ ॥১২৮
তহিতে আছয় এক সৰ্প অজগৰ।
সেহি কথা মনে নজানয় বৃকোদৰ ॥
জল খাইবে যায় পশু পক্ষী জীৱগণ।
সেহি অজগৰে ধৰি কৰয় ভোজন ॥১২৯
নামিবাৰ চিহ্ন তাত দেখে ভীমসেন।
উঠিবাৰ চিহ্ন নেদেখয় কোন স্থান ॥
ভীমে বোলে ইটো কিনো আশ্চৰ্য্য কথন।
উঠিবাৰ চিহ্ন নেদেখোহো পশুগণ ॥১৩০
নজানো আছয় কিবা জলৰ মধ্যত।
আটাস পাড়িলে এক বল মানে যত ॥
ভীমৰ আটাস অতি শুনি ভয়ঙ্কৰ।
ভীত হুয়া মাথা তুলি চাহে অজগৰ ॥১৩১

অৰ্দ্ধেক পুষ্কণ জুৰি মুণ্ড গোট বৰ।
লহ লহ জীহ্বা আতি দেখি লাগে ডৰ ॥
ভীমে দেখি কোনো ভয় নকৰি মনত।
গদা হস্তে ধৰি যায় নামিল জলত ॥১৩২
দেখি কোপে খেদিয়া গৈলেক অজগৰ।
লেঞ্জে মেঢ়াই ধৰিলেক কঙ্কালে ভীমৰ ॥
পাতাল সদৃশ কৰি মুখ প্ৰকাশয়।
কামুৰিয়া ভীমক গিলিল লতবাই * ॥১৩৩
বজ্ৰ সম ভীমৰ শৰীৰ ভয়ঙ্কৰ।
জীৰ্ণ কৰিবাক নপাৰিলে অজগৰ ॥
পিটৰ তলত নিয়া ভীমক ৰাখিলা।
শুনিয়োক পাছে যুধিষ্ঠিৰে যি কৰিলা ॥১৩৪
ভীমক যাইতে নেদেখিয়া নৃপবৰ।
অৰ্জ্জুনৰ মুখ চাই বুলিলা উত্তৰ ॥
ভীমৰ লৈয়োক লাগ বিলম্ব নকৰি।
চলিলেক ধনঞ্জয় হাতে ধনু ধৰি ॥১৩৫
ভীমৰ পঞ্চাল দেখি যান্ত মহাবীৰ।
কতোক্ষণে লভিলেক সৰোবৰ তীৰ ॥
দেখে ভীম জল মধ্যে নামিয়া আছয়।
উঠিবাৰ চিহ্ন নেদেখয় ধনঞ্জয় ॥১৩৬

* লতবাই—লোভেৰে।

কিবা গ্ৰাহ আছে ইটো জলৰ ভিতৰ।
সেহি যোনো ধৰি খাইলে বীৰ বৃকোদৰ॥
কেনমতে কৰিবো দাদাৰ প্ৰতিকাৰ।
এহি বুলি ধনঞ্জয় ধৰি ধনুশৰ॥১৩৭
সাৱধানে ধনঞ্জয় নামিল জলত।
দুই হাতে ধৰি অজগৰৰ গলত॥
বামক লাগিয়া ধনঞ্জয় লৈয়া যায়।
অজগৰে ধৰিলেক লেঙ্গুৰে মেঢ়াই॥১৩৮
বলে ধৰি নিলা টানি পিটৰ তলক।
তৈতে ৰাখিলেক ভীমসেন অৰ্জ্জুনক॥
বৈশম্পায়ন বদতি শুনিয়ো জন্মিজয়।
পাছে যি কৰিলা ৰাজা কুন্তীৰ তনয়॥১৩৯
যুধিষ্ঠিৰে দেখে নাসিলন্ত দুই ভাই।
মাতিলেক সহদেৱ নকুলক চাই॥
জল আনিবাক গৈল বীৰ বৃকোদৰ।
নাসিবাক দেখি যায় ধনঞ্জয় বীৰ॥১৪০
কিবা অথন্তৰ ভৈল নাসে এত বেলি।
নকুল সহদেৱ দুই যাৱা শীঘ্ৰে চলি॥
ৰাজাৰ আদেশ শুনিলন্ত দুয়ো ভাই।
ত্বৰিত গমনে সৰোবৰ পাইলা যাই॥১৪১
খোজ পৰি আছে ভীম নামিছে জলত।
উঠিবাৰ চিহ্ন নেদেখয় উপৰত॥

তাহাৰ পাছত জলে নামিছে অর্জ্জুন।
উঠিবাৰ চিহ্ন নাহি দেখো কোন স্থান ॥১৪২
থিৰয় মৰিল যেন ভৈল বজ্রপাত।
শুখাইল শৰীৰ শ্রুতি নাহিকে গাৱত ॥
ভীম ইন্দ্র সুত দুইকো বিচাৰি নাপাই।
জল আনিবাক নামিলন্ত দুই ভাই ॥১৪৩
অজগৰে মাথা তুলি চাহে টেৱ কৰি।
ঝাম্প দিয়া দুভাইক গিলিলন্ত ধৰি ॥
পাণ্ডু পুত্রগণ বজ্র সম কলেৱৰ।
জীর্ণ কৰিবাক নপাৰিলা অজগৰ ॥১৪৪
পিট তল কৰি পেট ৰাখিলা লুকাই।
মুণ্ড তুলি অজগৰে ৰৈলা বাট চাই ॥
যুধিষ্ঠিৰে দেখে নাসিলেক চাৰি ভাই।
অথন্তৰ ভৈলা বুলি জানিলা নিশ্চয় ॥১৪৫
ঋষিক সহায় কৰি দ্রৌপদীক থৈলা।
বিৰস বদনে ৰাজা তৈকে লাগি গৈলা ॥
খোজ গুড়ি চিনি গৈয়া পাই সৰোবৰ।
নামিছে জলত দেখে চাৰি সহোদৰ ॥১৪৬
উঠিবাৰ চিন নেদেখয় নৃপবৰ।
পিটৰ উপৰে দেখিলন্ত অজগৰ ॥
ঢোল যেন পেট, মুখ মেলিয়া আছয়।
পিটৰ উপৰে ৰহি আহাৰ ভক্ষয় ॥১৪৭

গজি আছে গাছ বন শৰীৰ উপৰে।
কোন তই বুলি পুছিলন্ত নৃপবৰে॥
ভয়ঙ্কৰ সৰ্পৰ আকাৰ আছা ধৰি।
চাৰি ভাই খালি তই জানো নিষ্ঠ কৰি॥১৪৮
কিবা দেৱতাৰ মায়া আতি ভয়ঙ্কৰ।
কোন তই বুলি মাতিলেক অজগৰ॥
নৃপতি বোলয় মই ধৰ্ম্মৰ তনয়।
যুধিষ্ঠিৰ নাম মোৰ জগতে জানয়॥১৪৯
কৌৰবে পাশাত জিনি পঠাইলা বনক।
কহিলো তোমাত মই কথা স্বৰূপক॥
অজগৰে বোলে যদি ধৰ্ম্মৰ তনয়।
চাৰি গোট শ্লোক কথা পুছিবোহো মই॥১৫০
সংক্ষেপ কৰিয়া কহা কোনবা বহল।
কোনবা উচ্চতা আছে কহিয়ো সকল॥
বেগৱন্ত কোন জন কহা মহাবল।
সবাত কৰিয়া বৰ কোনবা অচল॥১৫১
কহিয়োক এহি চাৰি শ্লোকৰ কাৰণ।
কহিলে প্ৰত্যয় হয় তোমাৰ বচন॥
যুধিষ্ঠিৰে বোলে মই কহিবো সকল।
সবাত কৰিয়া জান পৃথিবী বহল॥১৫২
উচ্চতা সবাত কৰি আকাশ হোৱয়।
তাহাৰ উচ্চতা আৰো ধৰ্ম্ম বুলি কয়॥

বেগৱন্ত পবন সদৃশ কোন নাই।
তাত কৰি বেগৱন্ত মন সমুদাই ॥১৫৩
সবাত কৰিয়া বৰ দেৱ সৃষ্টি কৰ।
কল্পনাৰ অতীত যিনি প্ৰভু নিৰাকাৰ ॥
অজগৰে বোলে মই কহিলো নিশ্চয়।
স্বৰূপত হোৱা তুমি পাণ্ডুৰ তনয় ॥১৫৪
তুমি সে নিশ্চয় মোক কৰিবা উদ্ধাৰ।
গিলিয়া আছোহোঁ মই চাৰি সহোদৰ ॥
এহি বুলি বামক উঠিলা সৰ্পৰাজ।
দেখাইলন্ত নৃপতিক পেট কৰি বাজ ॥১৫৫
হাত মেলি যুধিষ্ঠিৰ নকুলক আনি।
পাছে সহদেৱক আনিলা মহামানী ॥
অৰ্জ্জুন ভীমক আনিলন্ত বীৰবৰ।
উঠিয়া বসিলা পাছে চাৰি সহোদৰ ॥১৫৬
অজগৰে বোলে মোক কৰিয়ো উদ্ধাৰ।
পৰশ কৰিয়ো আসি শিৰত আমাৰ ॥
শুনি যুধিষ্ঠিৰ সৰ্প-মুণ্ডে দিলা হাত।
সৰ্প গুচি ভৈলা মহা পুৰুষ সাক্ষাত ॥১৫৭
যুধিষ্ঠিৰ ৰাজাক কৰিলা বহুমান।
আকাশপৰা আসি পাইলেক বিমান ॥
পঞ্চ ভাইক প্ৰণামিয়া চড়ি বিমানত।
স্থিতি লভিলেক যাই সপ্তম স্বৰ্গত ॥১৫৮

চাৰি ভাই সঙ্গে কৰি ৰাজা চলি যায়।
ঋষিগণ দ্ৰৌপদী আছয় যেহি ঠাই ॥
ৰহিলেক যাই সবে কল্যাণী বনত।
বৈশম্পায়ন কহে জন্মিজয়ৰ আগত ॥১৫৯

## ৰজা নহুষৰ অজগৰত্ব প্ৰাপ্তিৰ বিৱৰণ

যেনমতে নহুষ ভৈলেক অজগৰ।
কহো সিটো কথা শুনিয়োক নৃপবৰ ॥
কৰিলন্ত নৃপতি অসংখ্য দান ব্ৰত।
পুণ্য বলে বাঞ্চলেক সপ্তম স্বৰ্গত ॥১৬০
অম্ৰাৱতী পুৰত নাহিকে পুৰন্দৰ।
পদ্মৰ পত্ৰত আছে সহস্ৰ বছৰ ॥
দৈত্যে মাৰি লৈবেক খোজয় অম্ৰাৱতী।
দেৱ সমে আলচ কৰিলা বৃহস্পতি ॥১৬১
সপ্তম স্বৰ্গক যাই নহুষ নৃপতি।
তাক আনি ইন্দ্ৰ আমি কৰিবো সম্প্ৰতি।
তেবেসে দৈত্যৰ পৰা পাব পৰিত্ৰাণ।
নহুষৰ পাশে চলিলেক দেৱগণ ॥১৬২
দেৱগণে নহুষেয়ো কৰিলা যুগুতি।
নহুষে বোলয় কথা শুনিয়ো সম্প্ৰতি ॥

সতী শচী বৰে যদি ইটো তেবে কথা ।
হওঁ মই ইন্দ্ৰ তেবে নহবে অন্যথা ॥১৬৩
এহি কথা কহিলেক শচীৰ আগত ।
শচী বোলে মই নবৰিম কদাচিত ॥
*অযানক যান কৰি আনিবাক পাৰে ।
তবে মই বৰিবাক পাৰো সাৰে সাৰে ॥১৬৪
এহি কথা কহিলেক নহুষৰ আগে ।
নহুষে বোলয় মোৰ ইটো বৰ ভাগ্যে ॥
পৃথিবীৰ পশু পক্ষী যত জীৱগণ ।
শুনিযাছো সৰ্ব্বজন হৈয়াছে বাহন ॥১৬৫
মনুষ্যাত বাহন আছয় দ্বিজগণ ।
আতপৰে অবাহন নাহি কোন স্থান ॥
এহিমতে গুণি গান্থি নহুষ ৰাজন ।
আদেশিলা ধৰি আন যতেক ব্ৰাহ্মণ ॥ ১৬৬
ৰাজাৰ আদেশে দূত দশ দিশে গৈলা ।
পণ্ডিত ব্ৰাহ্মণ সব বিচাৰি আনিলা ॥
দেৱ ঋষি ৰাজ ঋষি গৈলা যত যত ।
ধৰি আনি দিলা দূতে ৰাজাৰ আগত ॥১৬৭
নহুষে বোলয় শুনিয়োক ঋষি লোক ।
অম্ৰাৱতীপুৰে সবে লৈয়া চলা মোক ॥

* যি বাহনত কোনেও কেতিয়াও উঠা নাইকিয়া, এনে বাহন দ্বাৰা ইন্দ্ৰপুৰলৈ আহিলে মই স্বামিত্বে বৰণ কৰিব পাৰোঁ ।

তোমাসবে মিলি মোক লৈয়ো দোলা কৰি।
মই ইন্দ্ৰ হৈবে খুজো অম্ৰাৱতীপুৰী ॥১৬৮
ব্ৰাহ্মণসকলে বোলে নুবোলাহা আক।
কাটিলেও নুৱাৰিবো দোলা বহিবাক
শুনিয়া নহুষ ৰাজা ক্ৰোধে জ্বলি গৈলা।
ব্ৰাহ্মণ সবৰ আগে দোলা সাজি থৈলা ॥১৬৯
দোলা লোৱা বুলি সবে কৰে আতি ৰোল।
ব্ৰাহ্মণসবৰ নুশুনয মাত বোল ॥
গোচৰ কৰয সবে নৃপতিৰ ঠাই।
ৰাজা বোলে গুৰু সব এৰান নাযায ॥১৭০
ঝাণ্টে কৰি লহ দোলা বিলম্ব নকৰ।
দূতক চাহিযা ৰাজা বোলে পুনৰ্ব্বাৰ ॥
আৰো কিবা চাহ ব্ৰাহ্মণৰ এত গৰ্ব্ব।
ধৰাধৰি সমস্তৰে মান কৰা খৰ্ব্ব ॥১৭১
ৰাজাৰ বচন হেন শুনি দূতচয।
ব্ৰাহ্মণসবক যুতি * দোলা তুলি দেয় ॥
ৰাজা উঠিলেক যাই দোলাৰ উপৰ।
শচা পাশে চালন্ত কান্ধে ব্ৰাহ্মণৰ ॥১৭২
বহিবে নোৱাৰে দোলা কান্ধ ফাটি যায়।
দোলাখান মাটিতে পেহ্লালা ছেগ চাই ॥

* — বান্ধি, যোগবাৰি।

উঠি উঠি লৰ মাৰে প্ৰাণৰ কাতৰে।
দূতগণে লৰ্বি পাছত খেদি ধৰে ॥১৭৩
মাৰি ধৰি পুনৰপি দোলা তুলি দেয়।
বহিবে নোৱাৰি দোলা মাটিত পেল্হায় ॥
নিবাক নোৱাৰু দোলা ভাৰী গুৰুতৰ।
সকল ব্ৰাহ্মণে বোলে হোৱা অজগৰ ॥১৭৪
তেখনে মিলিল আসি শাপ ব্ৰাহ্মণৰ।
নহুষ নৃপতি ভৈলা সৰ্প অজগৰ ॥
দণ্ডৱতে পৰিয়া বোলন্ত স্তুতি বাক।
শাপ মুক্ত হৈবে গুৰু বৰ দিয়া মোক ॥১৭৫
ভৃগু আদি ঋষিগণ ভৈলন্ত সদয়।
নৃপতিক চাহি বুলিলন্ত ঋষিচয় ॥
যি বুলিলো সেহি শাপ নুহিবে খণ্ডন।
উপায় এক কহো শুনা মুক্তিৰ কাৰণ ॥১৭৬
সহস্ৰ বছৰ থাক হৈয়া অজগৰ।
পাণ্ডৱত হন্তে মুক্তি হুইবে তোমাৰ ॥
সহস্ৰ বছৰ অন্তে শাপ মুক্ত হৈবে।
পাণ্ডৱৰ পাঁচ ভাই বনবাসে যাবে ॥ ১৭৭
কল্যাণ বনত আছে এক সৰোবৰ।
আগে গৈযা থাক তৈতে হুয়া অজাগৰ ॥
পানী আনিবাক যাইবে পাণ্ডুপুত্ৰগণ।
সেহি বেলা তাসম্বাক পাবে দৰশন ॥১৭৮

চাৰিটী শ্লোকৰ যিটো অৰ্থক কহয় ।
সেহি জন জানিবাহা ধৰ্ম্মৰ তনয় ॥
পৰশিলে হৈবে তযু শাপৰ মুকুত ।
এতিক্ষণে যাই তুমি থাকা পুষ্কৰ্ণীত ॥১৭৯
এহি বুলি ব্ৰাহ্মণসকল চলি গৈলা ।
শুনা আত অনন্তৰে যেন কথা ভৈলা ॥
নহুষ পৰিল পৃথিবীত গিৰিশাই ।
কল্যাণ বনত ৰৈলা অজগৰ হুই ॥১৮০
পূৰ্ব্ব সংস্কাৰে যুধিষ্ঠিৰে লাগ পাই ।
নহুষক উদ্ধাৰিলা সৰোবৰে যাই ॥
শুনিযোক সৰ্ব্বজন কৃষ্ণকথা সাৰ ।
সন্তৰ সঙ্গত হয় পাপায়ো উদ্ধাৰ ॥১৮১
সাধু সঙ্গে বসি কৰে কৃষ্ণকথা সাৰ ।
মনুষ্য জনমে লাভ নাহি আতপৰ ॥
ভণে ৰাম সৰস্বতী এৰা আন কাম ।
খণ্ডোক দুগাত ডাকি বোলা ৰাম ৰাম ॥১৮২

সম্পূৰ্ণ

1011